সাত দিনৰ বাবে ওমৰ খালিদক জামিন

নতুন দিল্লী, ১৮ ডিচেম্বৰঃ অৱশেষত জামিন লাভ কৰিলে জে এন ইউৰ প্ৰাক্তন ছাত্ৰ নেতা ওমৰ ৩ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



ROYAL CONSTRUCTION

MANUFACTURER OF CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS TITKURI, KAMARGAON, RANGIA, KAMRUP(R)

CALL: +91 88 76 99 50 95, +91 99 57 41 80 39



THURSSDAY, DECEMBER 19, 2024 ■ বৃহস্পতিবাৰ, ৩ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৬ Guwahati, Assam ।। মূল্যঃ এটকা


নিহত ১, সন্ধানহীন অনেক

## মুম্বাইত ৮০ যাত্ৰীসহ দুৰ্ঘটনাত পতিত নাও

মুম্বাই, ১৮ ডিচেম্বৰঃ বুধবাৰে বিয়লি মুম্বাইৰ উপকূলৰ সমীপত ৮০ যাত্ৰীসহ ডুব গ'ল এখন লঞ্চ। শেষাংশ ২ পৃষ্ঠাত

## ক্ৰেছাৰ মালিকৰ ভতিজাকক লৈ উধাও জাগুনত পুনৰ চিনেমাৰ ধৰণেৰে অপহৰণ কাণ্ড

ই-সংবাদ, ডুমডুমা, ১৮ ডিচেম্বৰঃ যোৱা ২৩ অক্টোবৰত তিনিচুকীয়াৰ শেষাংশ ২ পৃষ্ঠাত

## আম্বেদকাৰক লৈ অমিত শ্বাহৰ আপত্তিজনক মন্তব্য

### বিৰোধীৰ অভিযোগক হাস্যকৰ আখ্যা শ্বাহৰ

নতুন দিল্লী, ১৮ ডিচেম্বৰঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংবিধানৰ জনক ডঃ বি আৰ আম্বেদকাৰক লৈ কৰা মন্তব্যৰ পিছতে দেশত বৃদ্ধি পাইছে ৰাজনৈতিক উত্তেজনা। সদনৰ মজিয়াত সংবিধান দিৱস উদযাপন কৰি সংবিধান ৰক্ষাৰ দম্ভালি মৰা মোদী চৰকাৰৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্যক লৈ সোচ্চাৰ হৈ পৰিছে বিৰোধী। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছকে ধৰি বহু বিৰোধী দলৰ সাংসদে আনকি শ্বাহৰ পদত্যাগৰো দাবী উত্থাপন কৰিছে। উল্লেখ্য যে, মঙলবাৰে শেষাংশ ২ পৃষ্ঠাত



প্ৰদেশ কংগ্ৰেছৰ ৰাজভৱন চলো কাৰ্যসূচীৰ এটি দৃশ্য, বুধবাৰে গুৱাহাটীত

## সমীৰ তাঁতীলৈ সাহিত্য অকাডেমী



ই-সংবাদ, ১৮ ডিচেম্বৰঃ নৱবৰ্ষৰ প্ৰাকমুহূৰ্তত জাতিটোৰ সাহিত্য জগতখনলৈ আহিছে এক অত্যন্ত সুখৰ খবৰ। এই শেষাংশ ৩ পৃষ্ঠাত

## উত্তৰ প্ৰদেশতো আৰক্ষীৰ বৰ্বৰতা, নিহত কংগ্ৰেছ কৰ্মী প্ৰভাত পাণ্ডে

# আৰক্ষীৰ নিৰ্বিচাৰ কন্দুৱা গেছে কাঢ়িলে কংগ্ৰেছ কৰ্মী মৃদুলৰ প্ৰাণ




লতাশিলত এজাহাৰ দাখিল

## মৃদুলক হত্যা কৰা হৈছে, ক'লে ভূপেন বৰাই

ই-সংবাদ, ১৮ ডিচেম্বৰঃ গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছে আদানিৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ, অসমত স্মাৰ্ট মিটাৰৰ নামত লুণ্ঠন শেষাংশ ৫ পৃষ্ঠাত

## লোৱাই নাছিল অনুমতি! আৰক্ষীৰ মিথ্যাচাৰ উদঙাই দি কংগ্ৰেছে দেখুৱালে পত্ৰ

ই-সংবাদ, ১৮ ডিচেম্বৰঃ গুৱাহাটীৰ ৰাজভৱনত অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বত প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল লাগি শেষাংশ ৫ পৃষ্ঠাত



■ সাৰি নগ'ল সাংবাদিকো, মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধীৰ শোক প্ৰকাশ ■ শ্বহীদ ঘোষণা

ই-সংবাদ বিশেষ, ১৮ ডিচেম্বৰঃ সমগ্ৰ দেশতে যেন এতিয়া অঘোষিত জৰুৰীকালীন অৱস্থা। জৰুৰীকালীন অৱস্থা সদৃশ এক শেষাংশ ৬ পৃষ্ঠাত



মৃদুল ইছলাম



প্ৰভাত পাণ্ডে

## মৃত্যুদণ্ড নহয় পৰেশ বৰুৱাৰ!


ঢাকা, ১৮ ডিচেম্বৰঃ অসমৰ বিদ্ৰোহী সংগঠন সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফা (স্বাধীন)ৰ শেষাংশ ৭ পৃষ্ঠাত

## সাংবাদিকে কৰিব প্ৰতিবাদ

ই-সংবাদ, ১৮ ডিচেম্বৰঃ গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছে শেষাংশ ৪ পৃষ্ঠাত

মন গ'লেই যি-তি কথা নক'ব

## বহুবল্কী মন্ত্ৰীবৰ্গক চিএমে ভূটানৰ পৰা লগালে লেকাম!



ই-সংবাদ, ১৮ ডিচেম্বৰঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ প্ৰায় প্ৰতিগৰাকী মন্ত্ৰীয়েই বহুবল্কী। বিৰোধীক সমালোচনা কৰাই হওক নতুবা শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আম্বেদকাৰক লৈ অমিত শ্বাহৰ

মঙলবাৰে ৰাজ্যসভাত অমিত শ্বাহে বিৰোধীক সমালোচনা কৰিবলৈ গৈ কৈছিল, "এতিয়া আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ কোৱাটো এটা ফেশ্বন হৈ পৰিছে। ইমানবাৰ ঈশ্বৰৰ নাম জপ কৰা হ'লে সাতটা জনমতে স্বৰ্গ লাভ হ'লহেঁতেন।" সংবিধানৰ জনক আম্বেদকাৰৰ নাম লৈ অমিত শ্বাহৰ এনে তাচ্ছিল্যসূচক মন্তব্যৰ পিছতে গৰজি উঠিছে কংগ্ৰেছ আৰু ইণ্ডিয়া মিত্ৰজোঁটৰ আন আন দলসমূহ। এই মন্তব্যৰ জৰিয়তে গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিয়ে দেশৰ জনগোষ্ঠীয় ঐক্যক আৰু বি আৰ আম্বেদকাৰক অপমান কৰা বুলি দাবী কৰে কংগ্ৰেছে। কংগ্ৰেছৰ সাংসদসকলে শ্বাহৰ পদত্যাগৰ দাবী জনাই সংসদ চৌহদত প্ৰতিবাদো আৰম্ভ কৰে। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে শ্বাহৰ এই মন্তব্যক বিজেপিৰ ঘৃণাৰ প্ৰতিফলন বুলি অভিহিত কৰে। তেওঁ কয় যে শ্বাহৰ মন্তব্যই স্পষ্টভাৱে প্ৰমাণ কৰে যে বিজেপি আৰু আৰএছএছৰ মতাদৰ্শই ভাৰতৰ সংবিধান আৰু গৌৰৱময় ইতিহাসক অৱজ্ঞা কৰিছে। খাৰ্গেয়ে লগতে কয় যে বিজেপিয়ে দলিত সম্প্ৰদায় আৰু আম্বেদকাৰক সন্মান নকৰে। তেওঁলোকৰ একমাত্ৰ লক্ষ্য হৈছে আম্বেদকাৰৰ নাম নিজৰ ৰাজনৈতিক লাভৰ বাবে ব্যৱহাৰ কৰা। কংগ্ৰেছে দাবী কৰে যে শ্বাহৰ এই মন্তব্য দলিত সমাজৰ বাবে অত্যন্ত আপত্তিজনক। কংগ্ৰেছৰ সাংসদ নীৰজ ডাংগীয়ে মন্তব্য কৰি কয়, "শ্বাহৰ এই বক্তব্য আম্বেদকাৰ আৰু দলিত সমাজৰ প্ৰত্যক্ষ অপমান। আমি তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰিম।" কংগ্ৰেছে আৰু দাবী কৰে যে শ্বাহৰ এই মন্তব্যই দেশবাসীৰ আৱেগক আঘাত কৰিছে, আৰু এনে মন্তব্য এজন মন্ত্ৰীৰ বাবে অনুচিত। ইফালে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশেও শ্বাহৰ এই মন্তব্যক তীব্ৰ ভাষাৰে গৰিহণা দি কয় যে শ্বাহৰ এই মন্তব্যই ৰাজনৈতিক লাভালাভৰ বাবে আম্বেদকাৰৰ মৰ্যাদা কলংকিত কৰিছে। তেওঁ শ্বাহক ৰাজহুৱাভাৱে তেওঁৰ মন্তব্যৰ বাবে ক্ষমা খুজি পদত্যাগ কৰিবলৈ দাবী জনায়। অন্যহাতে, ৰাজ্যসভাত কৰা এই মন্তব্যক লৈ বিৰোধী সৰৱ হৈ পৰাৰ পিছতে এক সংবাদমেল সম্বোধন কৰি আজি স্পষ্টীকৰণ প্ৰদান কৰিছে অমিত শ্বাহে। শ্বাহে সংবাদমেলত কয়, "কংগ্ৰেছে মোৰ মন্তব্যৰ ভুল ব্যাখ্যা কৰিছে। মই সপোনতো আম্বেদকাৰক অপমান কৰাৰ কথা ভাবিব নোৱাৰো। মোৰ কথাবোৰ বিকৃত হৈ আছে।" শ্বাহে দাবী কৰে যে কংগ্ৰেছে "ভুৱা বাতৰি বিয়পাইছে" আৰু আম্বেদকাৰৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা আছে। লগতে তেওঁ কয়, "মই এনে এটা দলৰ সদস্য যিয়ে আম্বেদকাৰক অপমান কৰাৰ কথা সপোনতো ভাবিব নোৱাৰো।" ইফালে শ্বাহৰ সমৰ্থনত এক্সত এটা পোষ্ট কৰে প্ৰধানমন্ত্ৰীয়ে। এই পোষ্টত তেওঁ শ্বাহৰ মন্তব্যৰ অপব্যাখ্যা কৰা বুলি দাবী কৰি বিৰোধীকে সমালোচনা কৰা দেখা যায়। ইয়াৰ বিপৰীতে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ মন্তব্যক লৈ প্ৰতিবাদ অব্যাহত ৰাখিছে বিৰোধী 'ইণ্ডিয়া'ই। কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলসমূহে দাবী কৰিছে যে শ্বাহৰ মন্তব্যই এজন মন্ত্ৰীৰ দায়িত্ব আৰু দেশৰ সংবিধান আৰু সামাজিক ন্যায়ৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰে। কংগ্ৰেছে এই কথাও কয় যে যদি শ্বাহে আম্বেদকাৰৰ প্ৰতি এনে অসন্মান প্ৰদৰ্শন কৰিব পাৰে, তেন্তে তেওঁৰ মন্ত্ৰালয়ত থকাৰ কোনো অধিকাৰ নাই। ইয়াৰ উপৰিও বিৰোধীয়ে শ্বাহৰ মন্তব্যৰ আঁৰত ৰাজনৈতিক উদ্দেশ্য থকা বুলি সন্দেহ প্ৰকাশ কৰিছে। কংগ্ৰেছৰ মতে, শ্বাহে এই মন্তব্যৰ জৰিয়তে বিজেপিৰ ৰাজনৈতিক স্থিতি শক্তিশালী কৰাৰ চেষ্টা চলাইছে আৰু তেওঁলোকৰ দলৰ আগ্ৰাসী ৰাজনৈতিক কৌশল আৰু অধিক শক্তিশালী কৰাৰ চেষ্টা কৰিছে। প্ৰণিধানযোগ্য যে, ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে উদযাপনৰ সময়ত দেশৰ সংবিধান আৰু ইয়াৰ প্ৰণেতাসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সময়তে সৃষ্টি হয় এই উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুম্বাইৰ উপকূলৰ সমীপত ৮০ যাত্ৰীসহ

গেটৱে অৱ ইণ্ডিয়া'ৰ পৰা 'এলিফেণ্টা কেভ'লৈ যোৱাৰ পথত, গেটৱেৰ সমীপৰ উৰাণ অঞ্চলত উপস্থিত হোৱাৰ সময়তে সংঘটিত এই দুৰ্ঘটনা। প্ৰাৰম্ভিক খবৰ অনুসৰি এই পৰ্যন্ত এটা মৃতদেহ উদ্ধাৰ কৰাৰ লগতে ২০ জন যাত্ৰীক উদ্ধাৰ কৰা হৈছে। অৱশ্যে এতিয়াও কমেও ৩৪ জন যাত্ৰী সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলে অব্যাহত ৰাখিছে উদ্ধাৰ অভিযান। জানিব পৰা মতে, দুৰ্ঘটনাগ্ৰস্ত লঞ্চ খনৰ নাম হৈছে 'নীলকমল'। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় মাছমৰীয়াই নাৱেৰে যাত্ৰীসকলক উদ্ধাৰৰ বাবে প্ৰচেষ্টা চলায়। তেওঁলোকৰ সৈতে ভাৰতীয় উপকূলৰক্ষী আৰু ভাৰতীয় নৌসেনাও যোগদান কৰে। উদ্ধাৰ অভিযান আৰম্ভ হোৱাৰ কিছু সময়ৰ পাছতে ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ জাহাজ 'সুভদ্ৰ কুমাৰ চৌহান'য়ে প্ৰায় ২০ জন যাত্ৰীক জীৱিত অৱস্থাত উদ্ধাৰ কৰে। ছ'চিয়েল মিডিয়াৰ এটা ভিডিঅ'ত দেখা গৈছে যে লাইফ জেকেট পিন্ধা যাত্ৰীসকলক উদ্ধাৰ কৰি ক'ষ্ট গাৰ্ডৰ জাহাজত উঠাই নিয়া হৈছে। দুৰ্ঘটনাটোৰ কাৰণ সন্দৰ্ভত আনুষ্ঠানিক তথ্য এতিয়াও পোৱা নাই। কিন্তু ছ'চিয়েল মিডিয়াত এটা ভিডিঅ' প্ৰকাশ পাইছে, য'ত দাবী কৰা হৈছে যে এখন স্পীডবোটে লঞ্চত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। অৱশ্যে ভিডিঅ'টোৰ সত্যতা এতিয়াও পৰীক্ষা কৰা হোৱা নাই। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে এই দুৰ্ঘটনাৰ খবৰ প্ৰকাশ কৰি কয়, "এলিফেণ্টা অভিমুখী নীলকমল নামৰ লঞ্চত এক দুৰ্ঘটনা সংঘটিত হৈছে। নৌসেনা, ক'ষ্ট গাৰ্ড, বন্দৰ কৰ্তৃপক্ষ, আৰু আৰক্ষীৰ জাহাজ তৎক্ষণিক সহায় আগবঢ়াবলৈ প্ৰেৰণ কৰা হৈছে। আমি জিলা আৰু আৰক্ষী প্ৰশাসনৰ সমন্বয়ত উদ্ধাৰ অভিযান চলাই আছো। সৌভাগ্যক্ৰমে বেছিভাগ যাত্ৰীকে উদ্ধাৰ কৰা হৈছে যদিও উদ্ধাৰ অভিযান এতিয়াও চলি আছে।" ইফালে উদ্ধাৰ অভিযান ক্ষিপ্ৰতাৰে সমাপ্ত কৰাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাগুনত চিনেমাৰ কায়দাৰে ক্ৰেছাৰ

জাগুন দহ-মাইলস্থিত হিমালয়া টি ফেক্টৰীৰ কৰ্মচাৰী গৌতম বসুমতাৰীক আলফা (স্বাধীন) ই অপহৰণ কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই জাগুনত আজি পুনৰ আন এক অপহৰণ কাণ্ড সংঘটিত হোৱাত অসম-অৰুণাচল সীমান্তৱৰ্তী জাগুনত এক প্ৰকাৰৰ তীব্ৰ উত্তেজনা তথা চাঞ্চল্যই বিৰাজ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি আজি পুৱা প্ৰায় ৯:৩০ বজাত লেখাপানী আৰক্ষী (জাগুন আৰক্ষী চকী) থানাৰ অন্তৰ্গত জাগুন ন-মাইলস্থিত কৃষ্ণ ছেত্ৰী ওৰফে ভাই ছেত্ৰী নামৰ ব্যৱসায়ীজনৰ ব্যক্তিগত মালিকানাধীন শিলভঙা উদ্যোগৰ পৰা ভাই ছেত্ৰী আৰু ভতিজা প্ৰকাশ ছেত্ৰী ওৰফে প্ৰভু (২৪)ক এখন বগা ৰঙৰ ডাম্পাৰ গাড়ীৰে অহা প্ৰায় ৮-১০ জনীয়া এটা অস্ত্ৰধাৰী দলে অপহৰণ কৰে। দলটিয়ে কৃষ্ণ ছেত্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত ব্যক্তিগত পিষ্টলটোও লৈ যোৱা বুলিও জানিব পৰা গৈছে। দলটিয়ে কৃষ্ণ ছেত্ৰীৰ এএছ ০১ বিএ ৩৩২৩ নম্বৰৰ বিলাসী ফৰ্চুনাৰ বাহনখনেৰে অসম-অৰুণাচল সীমান্তৰ টিৰাপ নৈৰ ৰাৱা গাঁৱৰ দিশে লৈ যায়। দলটিয়ে টিৰাপ নৈ পাৰ হোৱাৰ পিছতেই নৈৰ কাষত ভাই ছেত্ৰীক বাহনসহ এৰি দি ভতিজাক প্ৰকাশ ছেত্ৰীক লগত লৈ গভীৰ অৰণ্যৰ দিশে অগ্ৰসৰ হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগেই লেখাপানী আৰক্ষী থানাৰ লগতে জাগুন আৰক্ষী চকীৰ আৰক্ষীয়ে সেনাৰ সহযোগত ঘটনাস্থলীত উপস্থিত হৈ অসম অৰুণাচল-সীমান্তৱৰ্তী ৰাৱা, খামডু, নামপুং আদি ঠাইত অপহৃত প্ৰকাশ ছেত্ৰীৰ লগতে অপহৰণকাৰী দলটিৰ বিৰুদ্ধে তীব্ৰ অভিযানত নামি পৰে। উক্ত অপহৰণ কাণ্ডত আলফা (স্বাধীন) জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। আনহাতে ভাই ছেত্ৰীৰ লগতে অপহৃত প্ৰকাশ ছেত্ৰীৰ পত্নীয়ে কোলাত কেঁচুৱা সন্তানক লৈ সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ ছেত্ৰীক মুকলি কৰি দিবলৈ আলফা (স্বাধীন)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱালৈ কাতৰ আহ্বান জনাইছে। চিনেমাৰ কায়দাৰে পুৱাৰ ভাগতেই ডাম্পাৰ গাড়ীত আহি মালিকৰ গাড়ীৰেই মালিকৰ ভতিজাকক অপহৰণ কৰি নিয়া ঘটনাক লৈ এতিয়া সমগ্ৰ তিনিচুকীয়া জিলাতেই চাঞ্চল্য অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাত দিনৰ বাবে ওমৰ খালিদক জামিন

খালিদে। অৱশ্যে এয়া নিয়মীয়া জামিন নহয়, দিল্লীৰ আদালতে তেওঁক পৰিয়ালৰ এখন বিয়াত অংশগ্ৰহণ কৰিবলৈ ৭ দিনৰ অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে। বুধবাৰে খালিদৰ জামিন মঞ্জুৰ কৰে আদালতে। উল্লেখ্য যে, ২০২০ চনৰ উত্তৰ-পূব দিল্লী সংঘৰ্ষত "বৃহৎ ষড়যন্ত্ৰ"ৰ সৈতে জড়িত থকাৰ অভিযোগত দিল্লী আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন (ইউএপিএ)ৰ অধীনত গোচৰ ৰুজু কৰিছিল। বিয়াত উপস্থিত থাকিবলৈ খালিদে ১০ দিনৰ অন্তৰ্বৰ্তীকালীন জামিনৰ বাবে আবেদন কৰিছিল। অৱশ্যে প্ৰতিবাৰৰ দৰে এইবাৰো তেওঁলোকে অভিযোগ কৰে যে খালিদে জেলৰ পৰা অভিনেতা আৰু ৰাজনীতিবিদলৈ বাৰ্তা প্ৰেৰণ কৰিছিল আৰু জামিনত মুকলি হ'লে এই কাম আৰু আগুৱাই নিব পাৰে। অৱশ্যে শেষত আদালতে তেওঁক ৭ দিনৰ বাবে চৰ্তসাপেক্ষ জামিন প্ৰদান কৰে। প্ৰণিধানযোগ্য যে, ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত নাগৰিকত্ব (সংশোধনী) আইন আৰু ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ বিৰুদ্ধে প্ৰতিবাদৰ মাজতে উত্তৰ-পূব দিল্লীত হিংসাত্মক সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষত ৫৩ জন লোক নিহত হোৱাৰ লগতে ৭০০ৰো অধিক লোক আহত হয়। দিল্লী আৰক্ষীয়ে অভিযোগ কৰে যে এই সংঘৰ্ষৰ আঁৰত আৰু বৃহৎ ষড়যন্ত্ৰ আছে, আৰু সেই ষড়যন্ত্ৰত খালিদ জড়িত আছিল। ২০২০ চনৰ ১৪ ছেপ্টেম্বৰত ইউএপিএৰ অধীনত গ্ৰেপ্তাৰ কৰা হয় খালিদক। তাৰ পিছতে পৰা কাৰাবন্দী হৈ থকা উমৰ খালিদে বিগত চাৰি বছৰত দুবাৰকৈ জামিনৰ বাবে আবেদন কৰে যদিও সেয়া নাকচ হয়। ২০২২ চনৰ ১৮ অক্টোবৰত তেওঁৰ প্ৰথম জামিন আবেদন নাকচ কৰিছিল দিল্লী উচ্চ ন্যায়ালয়ে। এই আবেদন খাৰিজ কৰি আদালতে কয় যে 'কা' বিৰোধী আন্দোলন যিদৰে হিংসাত্মক সংঘাতলৈ পৰিণত হৈছিল, সেইটোৱে প্ৰথম অৱস্থাত ষড়যন্ত্ৰৰ ইংগিত দিয়া যেন লাগে। ইফালে তাৰ পিছত চলিত বৰ্ষৰ ২৮ মে'ত খালিদে দ্বিতীয়বাৰৰ বাবে জামিন বিচাৰি আবেদন জনায় যদিও সেইবাৰো তেওঁক জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে দিল্লী উচ্চ ন্যায়ালয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সমীৰ তাঁতী, অৰন ৰাজা, দীপক শৰ্মালৈ

অসমৰ তিনিগৰাকী স্বনামধন্য কবি-সাহিত্যিকক সাহিত্য অকাডেমী বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছে। জাতিটোৱে জাতীয় অস্তিত্বক লৈ সংশয়ৰ মাজেৰে দিন অতিবাহিত কৰাৰ সময়তে তিনিগৰাকী দুগৰাকী জনজাতীয় কবি-সাহিত্যিকসহ তিনিগৰাকী স্বনামধন্য কবি-সাহিত্যিকক সাহিত্য একাডেমীৰ বাবে নিৰ্বাচিত কৰাত জাতিটোৰ বাবে ভাল খবৰ ৰূপে বিবেচিত হৈছে। বিজতৰীয়া সংস্কৃতিৰ পয়োভৰত জাতীয় সংস্কৃতি প্ৰত্যাহ্বান সন্মুখীন হোৱাৰ সময়তে কবিতাৰ জগত আৰু সাহিত্যৰ জগতখনত উৎসাহী কৰিব পৰা এইখবৰে অসমীয়াৰ মুখত হাঁহি বিৰিঙাইছে। অসমীয়া শাখাত ফৰিংবোৰে বাটৰ কথা জানে কাব্যগ্ৰন্থৰ বাবে বিশিষ্ট কবি সমীৰ তাঁতি, বড়ো শাখাত উপন্যাস স্বৰ্ণি থাখাইৰ বাবে অৰন ৰাজা আৰু সংস্কৃত শাখাত কাব্যগ্ৰন্থ ভাস্কৰচৰিতমৰ বাবে দীপক শৰ্মাক সাহিত্য একাডেমী প্ৰদানৰ ঘোষণা কৰা হৈছে। ২০২৪ বৰ্ষৰ সাহিত্য একাডেমী বঁটাৰ বাবে প্ৰকাশিত তালিকাত এই তিনি কবি-সাহিত্যিক অন্তৰ্ভুক্ত কৰা হৈছে। তিনিওগৰাকী বিশিষ্ট সাহিত্যিকে এই সন্মান লাভৰ ঘোষণাৰ পিছতে অসমৰ সাহিত্যিপ্ৰেমী তথা কবিতা প্ৰেমী নথৈ আনন্দিত হৈছে। সমীৰ তাঁতি, অৰন ৰাজা আৰু দীপক শৰ্মাৰ কবিতা-সাহিত্যৰ গুণমুগ্ধসকলে সন্তোষ প্ৰকাশ কৰি সাহিত্য অকাডেমীয়ে তিনিগৰাকী যোগ্যক এই সন্মানৰ বাবে নিৰ্বাচিত কৰাত ধন্যবাদ জ্ঞাপন কৰিছে। বড়ো ভাষাত সাহিত্য সৃষ্টি কৰি বড়ো সাহিত্যৰ ভড়াল চহকী কৰা অৰন ৰাজাই ছাত্ৰ অৱস্থাৰ পৰাই লিখা-মেলা কৰি আহিছে। বড়ো ভাষাৰ হেৰাবলৈ ওলোৱা শব্দবোৰক ব্যৱহাৰ কৰি জনগোষ্ঠীটোক সমৃদ্ধ কৰি গৈছে। আনহাতে, প্ৰাচীন ভাৰতীয় ভাষাত সংস্কৃতত লেখা-মেলা কৰি ভাষাটোৰ আদৰ বৃদ্ধি কৰিছে বিশিষ্ট লেখক দীপক শৰ্মাই। দীপক শৰ্মাই অহৰহ সংস্কৃতৰ শ্ৰীবৃদ্ধিৰ বাবে কাম কৰা গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তিনিওগৰাকী কবি-সাহিত্যিকক উষ্ম অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি ঘোষণা কৰা ২০২৪ বৰ্ষৰ সাহিত্য অকাদেমি বঁটাৰ বাবে তিনিগৰাকীকৈ স্বনামধন্য অসম সন্তান নিৰ্বাচিত হোৱাৰ গৌৰৱময় বাৰ্তাটিত অতি আনন্দিত হৈছো। এই খবৰে অসমৰ সাহিত্য জগতক নতুন মাত্ৰা প্ৰদান কৰিছে। আটাইকেইগৰাকী সন্মানীয় ব্যক্তিলৈ উষ্ম অভিনন্দন জ্ঞাপন কৰিলো। নিজৰ সৃষ্টিশীলতাৰ জৰিয়তে আপোনালোক আৰু বহুদূৰ আগবাঢ়ি গৈ উত্তৰপ্ৰজন্মৰ আদৰ্শ হৈ ৰওক, সেয়াই এই শুভ দিনত কামনা কৰিলো। অসমৰ জাতীয় জীৱন আৰু চাহ জনগোষ্ঠীৰ অধিকাৰ আন্দোলনক কবিতাৰ ৰূপ দি অহা সমীৰ তাঁতীৰ ফৰিংবোৰে বাটৰ কথা জানে কাব্যগ্ৰন্থখনে ইতিমধ্যেই বিপুল জনপ্ৰিয়তা লাভ কৰিছে। ১৯৫৫ চনৰ ৬ ফ্ৰেব্ৰুৱাৰীত গোলাঘাট জিলাৰ বিহৰা চাহ বাগিচাত জন্মলাভ কৰা সমীৰ তাঁতীয়ে স্থানীয় বিদ্যালয়ত ওড়িয়া ভাষাত অধ্যয়ন কৰিছিল। পিছলৈ অসমীয়া মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰি উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ক নামভৰ্তি কৰে। ১৯৮৩ চনত ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ সাদিনীয়া নাগৰিক কাককত উপ-সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পিছলৈ 'দ্য ছেন্টিনেল" জনসংযোগ বিভাগত অনুবাদক, শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰবক্তা, শিক্ষকতা আদি কৰাৰ লগতে জ্যেষ্ঠ পৰ্যটন অনুসন্ধান বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰে। কিন্তু জীৱন খলা-বমাৰ মাজেৰে পাৰ হৈ থকাৰ সময়ত কবিতাৰ চৰ্চা, সাধনা অব্যাহত ৰাখিছিল। ১৯৭৯ চনত নাগৰিক নামৰ কাকতখন প্ৰথমটো কবিতা প্ৰকাশ পাইছিল। কাকত, আলোচনী স্মৰণিকা আদিত কবিতা প্ৰকাশ পাই অহাত অসমৰ জনজীৱনত এক পৰিচিত কবি হিটাপে পৰিচিত হৈছিল সমীৰ তাঁতী। ভুপাল, এছিয়া কাব্য মহোৎসৱ, নতুন দিল্লী, মুম্বাই, কলকাতা, পাটনা, ভুৱনেশ্বৰ, আদি ঠাইত স্বৰচিত কবিতা পাঠৰ বাবে আমন্ত্ৰিত হৈছিল। যুদ্ধভূমিৰ কবিতা, শোকাকুল উপত্যকা, সময় শব্দ সপোন, কদম ফুলাৰ ৰাতি কবিতা সংকলনে ব্যাপক চৰ্চিত হৈছিল। ইতিমধ্যে অসম উপত্যকা সাহিত্য বঁটা, ছগনলাল জৈন সাহিত্য বঁটা লাভ কৰিছে।

# কোকৰাঝাৰত ২৫ জনীয়া বিধানসভাৰ দল উপস্থিত

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ ডিচেম্বৰঃ** অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত ২৫ জনীয়া বিধানসভাৰ এটা দলে গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ কেইবাটাও স্থান পৰিভ্ৰমণ কৰি আজি নিশা কোকৰাঝাৰত উপস্থিত হয়। দলটোৱে বিভিন্ন উন্নয়নমূলক প্ৰকল্পসমূহ পৰিদৰ্শন কৰে আৰু প্ৰকল্পৰ প্ৰয়োজনীয়তা থকা আন কেতবোৰ অঞ্চল চিনাক্ত কৰে। এই কাৰ্যসূচীৰ অংশস্বৰূপে কাইলৈ অৰ্থাৎ ১৯ ডিচেম্বৰত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত কোকৰাঝাৰ আৰু চিৰাংৰ কেবাটাও প্ৰকল্প পৰিদৰ্শন কৰিব। ইপিনে কোকৰাঝাৰত সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাৎকাৰত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে এই ভ্ৰমণ অতি অৰ্থপূৰ্ণ আৰু পৰিভ্ৰমনকালত গোৱালপাৰা, ধুবুৰী, আৰু বঙাইগাঁৰৰ কেইবাটাও স্থান পৰিদৰ্শন কৰি, বিভিন্ন উন্নয়নমূলক কাম পৰিদৰ্শন কৰি অগ্ৰগতিৰ খতিয়ান লোৱা হৈছে।তেওঁ লগতে কয় যে কাইলৈ অৰ্থাৎ ১৯ ডিচেম্বৰত তেওঁলোকে কোকৰাঝাৰ আৰু চিৰাংৰ কেতবোৰ অঞ্চল পৰিভ্ৰমণ কৰিব। ইয়াৰোপৰি কোকৰাঝাৰৰ বিটিচিএলএত ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হবলগীয়া অসম বিধানসভাৰ আগন্তুক অধিৱেশনৰ প্ৰস্তুতিৰ বিষয়ে বুজ লব আৰু বাবে বিটিচিএলএ পৰিদৰ্শন কৰিব। উল্লেখ্য যে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত অহা ২৫ জনীয়া বিধানসভাৰ দলটোত ১১ গৰাকী বিধায়ক আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বহুবল্কী মন্ত্ৰীবৰ্গক চিএমে ভূটানৰ

আন ৰাজনৈতিক মন্তব্যৰে হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ মন্ত্ৰীসকলে সীমা চেৰাই থকাটো একেবাৰে নতুন কথা নহয়। সেয়ে এতিয়া ভূটানত থাকিয়েই মন্ত্ৰীসকলক চুপ কৰাবলৈ বাধ্য হৈছে খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। চৰকাৰী কাৰ্যসূচীত অংশ লৈ ৰাজনৈতিক মন্তব্য প্ৰদান কৰি চৰকাৰৰ আঁচনিৰ পৰিৱৰ্তে অন্য কিবা বিতৰ্কৰহে সূচনা হয়। বাৰে বাৰে মইবৰ ভাবত থকা মন্ত্ৰীসকলে অনাৰ্থক-অলাগতিয়াল কথা কৈ চৰকাৰৰ মৰ্যাদা লাঘৱ কৰাৰ লগতে চৰকাৰৰ যি উদ্দেশ্যে সেই উদ্দেশ্যে মানুহৰ মাজলৈ নোযোৱাত আজি মুখ্যমন্ত্ৰীয়ে খোদ মন্ত্ৰীৰ মুখত টেপ লগাই দিলে। বহিবল্কী মন্ত্ৰীসকলক চৰকাৰী কাৰ্যসূচীত অংশ লোৱাৰ সময়ত ৰাজনৈতিক কথা নক'বলৈ কঠোৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। মন্ত্ৰী পৰিষদক মুখ্যমন্ত্ৰীয়ে কঠোৰ নিৰ্দেশনা দি কয় যে সংবাদ মাধ্যমত অহেতুক বিতৰ্কিত ৰাজনৈতিক মন্তব্য নকৰিব। অবাবত যিকোনো ৰাজনৈতিক বিষয়ত মন্তব্য দিয়াৰ পৰা আঁতৰি থাকক। উন্নয়নমূলক কামৰ পৰা জনতাক বিপথে পৰিচালিত নকৰিব। সংবাদ মাধ্যমৰ প্ৰৰোচনাত পৰি বিতৰ্কিত মন্তব্য নকৰিবলৈ নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজনৈতিক সাক্ষাৎকাৰ দিয়াৰ পৰা মন্ত্ৰীসকল বিৰত থাকক। চৰকাৰৰ উন্নয়নমূলক কাৰ্যসূচী বিষয়ৰ প্ৰচাৰত গুৰুত্ব দিয়ক বুলিও কয় মুখ্যমন্ত্ৰীয়ে। গুৰু-গোঁসাই নমনা বহুবল্কী মন্ত্ৰীসকলৰ লাগ-বান্ধ নোহোৱা কথা-বতৰাই মন্ত্ৰীসভাৰ সৌষ্ঠৱ বাৰে বাৰে লাঘৱ কৰি আহিছে। মুখত যি আহে তাকেই কৈ বাটৰ কচু গাত ঘহি লয় এইসকল মন্ত্ৰীয়ে। শেহতীয়াকৈ অসম চৰকাৰে ২০২৬ চনৰ নিৰ্বাচনৰ প্ৰতি হাতত লোৱা 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত অংশ লৈ মন্ত্ৰীসকলে বাৰেবিংকৰা কথা কৈ আহিছে। চৰকাৰে প্ৰান্তীয় লোকসকলৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ হিতাধিকাৰীক পোনে পোনে আঁচনি প্ৰদানৰ উদ্দেশ্যে যুগুত কৰা 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত অংশ ল'বলৈ গৈও অসম চৰকাৰৰ মন্ত্ৰীয়ে যা-তা কথা কোৱা পৰিলক্ষিত হৈছে। বিৰোধী দলক সমালোচনা কৰি তৰল আৰু লঘু কথা-বতৰা কৈ আহিছে। আনহে নালাগে নতুন আলু ২৭ টকাত পায় বুলি কৈ ৰাজ্যখনৰ মানুহক ইতিকিং কৰিছে মন্ত্ৰীয়ে। মই আলুৰ দাম নাজানো বুলি কৈ মন্ত্ৰীয়ে অট্টহাস্য কৰিছে। নানা মুনিৰ নানা কথাৰ দৰে বহুবল্কি মন্ত্ৰীসকলে একেবাৰে নিম্নস্তৰৰ কথাৰে ৰাজ্যখনৰ সামাজিক বাতাবৰণ ঘোলা কৰিবলৈ প্ৰয়াস কৰি গৈছে। বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুটি বিতৰণ, মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ, আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ লাভ কৰা ছাত্ৰী-ছাত্ৰীক নগদ ধন প্ৰদান, অসম মাইক্ৰ ফাইনেন্স উদগণি-সকাহ আঁচনিৰ অধীনত ন-ডিউজ চাৰ্টিফিকেট প্ৰদান, প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য বিতৰণ কৰি থকা হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰীসকল অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰীৰ হাতেৰে হিতাধিকাৰীক সামগ্ৰী প্ৰদান কৰা হৈছে। কিন্তু 'বিকাশৰ ১২ দিন'ৰ চৰ্চাৰ পৰিৱৰ্তে মন্ত্ৰীৰ বাৰে ভচহু কথাবোৰহে চৰ্চা হৈ আছে। য'তেই মন্ত্ৰীয়ে 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত অংশ লৈছে তাতেই সাংবাদিকৰ কেমেৰাৰ সন্মুখত বিতৰ্কিত বক্তব্য কৰিছে। চৰকাৰী কাৰ্যসূচীৰ গৰিমা লাঘৱ হোৱাত মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীক চুপ কৰিবলৈ বাধ্য হৈছে। মুখ্যমন্ত্ৰীয়ে পত্ৰযোগে চৰকাৰী কাৰ্যসূচীত অংশ লোৱাৰ সময়ত ৰাজনীতিৰ কথা নক'বলৈ কঠোৰ নিৰ্দেশ দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকে জনাব প্ৰতিবাদ

'ৰাজভৱন চলৌ' প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা সময়ত দলটোৰ কৰ্মী তথা অধিবক্তা মৃদুল ইছলাম নিহত হোৱাৰ লগতে বাতৰি পৰিৱেশন কৰিবলৈ যোৱা অতিকমেও ৭ গৰাকী সাংবাদিক কম-বেছি পৰিমাণে আহত হয়। ইতিমধ্যে ভাইৰেল হোৱা এটা ভিডিঅ'ত সাংবাদিকসকলে ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হোৱা দেখা গৈছে। গণতান্ত্ৰিকভাৱে শান্তিপূৰ্ণ প্ৰতিবাদীসকলে ৰাজভৱনলৈ যাওতে আৰক্ষীয়ে প্ৰচণ্ড বাধা দিয়ে আৰু আৰক্ষীয়ে অতি ওচৰৰ পৰা কন্দুৱা গেছ নিক্ষেপ কৰাৰ ফলতে অধিবক্তা মৃদুল ইছলামৰ মৃত্যু হোৱাৰ লগতে সাংবাদিকসকল আহত হয়। প্ৰতিদিনি টাইমৰ সাংবাদিক অমৰেন্দ্ৰ ডেকা আৰু ভিডিঅ' জাৰ্নেলিষ্ট গুৰুতৰভাৱে আহত হয়। লগতে আন কেইবাটাও নিজা চেনেল, বাতৰি কাকত আৰু ডিজিটেল মাধ্যমৰ সাংবাদিক আহত হয়। সাংবাদিকক কন্দুৱা গেছ নিক্ষেপ কৰি আহত কৰাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আৰক্ষী তথা চৰকাৰৰ এনে কাণ্ডক ধিক্কাৰ দিছে সাংবাদিকমহলে। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামী আৰু সাধাৰণ সম্পাদক সঞ্জয় ৰায়ে সাংবাদিকক আক্ৰমণ কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে। গুৱাহাটী প্ৰেছ ক্লাবে এক বিবৃতিযোগে কয় যে গুৱাহাটীত এক ৰাজনৈতিক দলৰ প্ৰতিবাদী কাৰ্যসূচীৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কৰ্তব্যৰত সাংবাদিকসকলৰ ওপৰত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰা কাৰ্যক ক্লাবে তীব্ৰ গৰিহণা দিছে। অনুষ্ঠানটোৱে সাংবাদিক আৰু ভিডিঅ' সাংবাদিকসকল গোট খোৱা ঠাইত কন্দুৱা গেছ ব্যৱহাৰ কৰা হৈছিল। যাৰ ফলত কেইবাজনো সাংবাদিক আহত হোৱাৰ লগতে চিকিৎসা গ্ৰহণ কৰিবলগীয়া হয়। দেখা গৈছে যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কৰ্তব্যৰত সাংবাদিকসকলে নিয়মিতভাৱে এনে কাণ্ডৰ বলি হৈ আহিছে। গুৱাহাটী প্ৰেছ ক্লাবে আৰক্ষী প্ৰশাসনক এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নকৰিবলৈ আহ্বান জনাইছে। কৰ্তব্যৰত অৱস্থাত সাংবাদিকক বাৰে বাৰে কৰা আক্ৰমণৰ প্ৰতিবাদ স্বৰূপে কাইলৈ সকলো সংবাদকৰ্মীক ক'লা বেজ পৰিধান কৰিবলৈ গুৱাহাটী প্ৰেছ ক্লাবে আহ্বান জনাইছে।

# কলাক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰী স্মাৰক বঁটা প্ৰদান

**ই-সংবাদ, ১৮ ডিচেম্বৰঃ** অসমীয়াই ব্যৱসায় কৰিব নাজানে বুলি প্ৰায়ে সমালোচনা কৰা হয়। কিন্তু এই অভিযোগক আজিৰ পৰা ৯টা দশক পূৰ্বে ভুল প্ৰমাণিত কৰিছিল এছআৰডি গ্ৰুপৰ মালিক তথা এজন থলুৱা অসমীয়াই। সেই অসমীয়াজন হৈছে সুনন্দৰাম ডেকা। ১৯৩১ চনত মঙলদৈ চহৰত সৰু চাহৰ দোকান আৰম্ভ কৰি দোপদদোপে উন্নয়ন কৰি থিয় কৰাই বৃহৎ এছআৰডি গোট। যি এছআৰডি গোটে ৰিপজ নামৰ বিপণী ৰাজ্যজুৰি খুলি ব্যৱসায়ৰ সম্ৰাট হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। হাজাৰ হাজাৰ লোকক সংস্থাপন দিবলৈ সক্ষম হৈছে। জীৱনকালত সফল ব্যৱসায়ী হৈ হাজাৰ যুৱক-যুৱতীক অনুপ্ৰাণীত কৰা সুনন্দাৰাম ডেকা এক উদাহৰণ যে অসমীয়াই ব্যৱসায় কৰিব জানে আৰু ব্যৱসায়ীৰ মাধ্যমেৰে হাজাৰ হাজাৰ লোকক সংস্থাপন দিব পাৰে অসমীয়াই। সুনন্দি মহাজন নামে বিখ্যাত এছআৰডি গোট উত্তৰাধিকাৰ সূত্ৰে পুত্ৰসকলে চলাই গৈছে পিতৃয়ে গঢ়া ব্যৱসায়। পিতৃৰ নিৰন্তৰ অনুপ্ৰেৰণা কৰ্পোৰেট দুনীয়াত নাম উপাৰ্জন কৰা ৰাজ্যৰ অন্যতম ব্যৱসায়ীক পৰিয়ালটোক আজি সদৌ অসম ছাত্ৰ সন্থাই অম্বিকাগিৰী ৰায়চৌধুৰী স্মাৰক বঁটাৰে সন্মানিত কৰে। সদৌ অসম ছাত্ৰ সন্থা, অসম উন্নতি সভা আৰু অসম সেনাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অম্বিকাগিৰী ৰায়চৌধুৰী স্মাৰক বঁটা প্ৰদান কৰা হয়। মহানগৰীৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত মঙলদৈৰ সুনন্দৰাম ডেকা চমুকৈ এছআৰডি গোটৰ বৰ্তমানৰ স্বত্বাধিকাৰী মুকুল চন্দ্ৰ ডেকা, ৰাজীৱ কুমাৰ ডেকা, অনুপম ডেকাক সদৌ অসম ছাত্ৰ সন্থা, চমুকৈ আছুৱে অম্বিকাগিৰী ৰায়চৌধুৰী স্মাৰক বঁটা প্ৰদান কৰে। উদ্যমিতা আৰু স্বাৱলম্বিতাৰ ক্ষেত্ৰখনত অনুকৰণীয় অৱদান আগবঢ়োৱা তিনি অসম সন্তানক এই বঁটা প্ৰদান কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ শীৰ্ষ নেতৃত্বই কয় যে আছু, অসম উন্নতি সভা আৰু অসম সেনাই অম্বিকাগিৰী ৰায়চৌধুৰীৰ চিন্তন আৰু দৰ্শনক ৰাজ্যখনৰ নৱ প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াৰ সংকল্পৰে এই বৰ্ষৰ পৰা 'অম্বিকাগিৰী ৰায়চৌধুৰী স্মাৰক বঁটা' আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লোৱাই নাছিল অনুমতি! আৰক্ষীৰ

কংগ্ৰেছৰ আইনী কোষৰ নেতা তথা অধিবক্তা মৃদুল ইছলাম নিহত হোৱাৰ পিছতে আৰক্ষীৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে বৰ্বৰ আচৰণৰ কৰাৰ ফলতে এগৰাকী অধিবক্তা নিহত হ'বলগীয়া হোৱা বুলি অভিযোগ উত্থাপনৰ পিছতে গুৱাহাটী আৰক্ষীৰ আয়ুক্ত দিগন্ত বৰাই প্ৰতিক্ৰিয়া দিবলৈ মিডিয়াৰ সন্মুখলৈ আহে। দিগন্ত বৰাই কংগ্ৰেছ অনুমতি অবিহনে প্ৰতিবাদ কৰা বুলি অভিযোগ উত্থাপন কৰে। কংগ্ৰেছে প্ৰশাসনৰ পৰা অনুমতি বিচৰা নাছিল আৰু আমি অনুমতি দিয়াও নাই বুলি কয়। দিগন্ত বৰাই কয় যে আজি ১০ বাজি ৩০ মিনিটত ৰাজভৱনলৈ যোৱা ৰাস্তাত গণেশ মন্দিৰৰ কাষৰ প্ৰাথমিক বিদ্যালয়ৰ ফিল্ডত কংগ্ৰেছৰ নেতাসকলৰ উপস্থিতিত কৰ্মীসকল একত্ৰিত হৈছিল। মানুহ এহাজৰতকৈ বেছি জমা হয়। কিন্তু কোনো অনুমতি লোৱা নাছিল।

যিহেতু ৰাজভৱনলৈ বেছি দূৰ নাছিল, সেয়েহে তিনিটা বেৰিকেড লগোৱা হৈছিল। প্ৰথম বেৰিকেডত ৰখাবলৈ প্ৰয়াস কৰা হয়। দ্বিতীয় বেৰিকেড ভাঙি আগবাঢ়ি যায়। তাৰ পিছতো একাংশ নেতাই ৰাজভৱনৰ দিশে আগবঢ়াৰ সময়তে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰে। কন্দুৱা গেছ ব্যৱহাৰ কৰাত কোনো লোকৰ গাত লগা নাই। যিগৰাকী লোকৰ মৃত্যু হৈছে তেওঁ অসুস্থ আছিল। তেওঁৰ বিষয়ে বিভিন্নজনৰ লগত কথা পাতি গম পাইছো যে তেওঁ অসুস্থ আছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ সৈতে কথা পাতি গম পাইছো যে তেওঁৰ দেহত কোনো আঘাত নাই। আৰক্ষী আয়ুক্ত দিগন্ত বৰাৰ এনে মন্তব্যৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কংগ্ৰেছে। কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অনুমতিৰ বাবে আৰক্ষীক দিয়া পত্ৰখন ৰাজহুৱা কৰে।

আৰক্ষী আয়ুক্ত দিগন্ত বৰাৰ মন্তব্যৰ পাছতেই প্ৰতিবাদী কাৰ্য্যসূচীক লৈ আৰক্ষীক দিয়া পত্ৰ ৰাজহুৱা কৰে। বেদব্ৰত শইকীয়াই কয় যে এয়া অসম আৰক্ষীৰ মিথ্যাচাৰৰ প্ৰমাণ। কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰাত মৃদুল ইছলামৰ মৃত্যু হ'ল। আৰক্ষীয়ে কৈছে, কংগ্ৰেছে প্ৰতিবাদ কৰাৰ কথা জনোৱাই নাছিল। কিন্তু এই পত্ৰযোগে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আৰক্ষী আয়ুক্তক ল'বলগীয়া কাৰ্যসূচীৰ বিষয়ে পূৰ্বেই অৱগত কৰিছিল। চৰকাৰখনৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰথম নাগৰিক হিচাপে বিবেচিত অসমৰ ৰাজ্যপালক এখন স্মাৰকপত্ৰ দি অৱগত কৰিবলৈ যোৱাত বাধা দিয়াটো গণতান্ত্ৰিক দেশৰ আৰক্ষী বাহিনীৰ বাবে কিমান যুক্তিসংগত সেই প্ৰশ্নও এই সময়ত উত্থাপন কৰা উচিত বুলিও বিৰোধী দলপতিগৰাকীয়ে কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃদুলক হত্যা কৰা হৈছে, ক'লে

আৰু মণিপুৰত স্থায়ী শান্তি দাবী কৰি 'ৰাজভৱন চলো' কাৰ্যসূচী ৰূপায়ণৰ সময়তে মৃদুল ইছলাম নামৰ নেতাজনৰ গাত কন্দুৱা গেছৰ শ্বেল লাগি নিহত হোৱাৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ভূপেন বৰাই মৃদুল ইছলামক ষড়যন্ত্ৰমূলকভৱে হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে। মৃদুল ইছলাম কাণ্ডক গৰিহণা দি হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত যিকেইজন আৰক্ষী বিষয়াই এই কাণ্ড সংঘটিত কৰিছে সেইসকলক কঠোৰ শাস্তিৰ দাবী কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। মণিপুৰত ষড়যন্ত্ৰ কৰি অশান্তি বিয়পোৱা, মোদী-আদানিৰ সম্পৰ্ক, মোদী-হিমন্তৰ সম্পৰ্ক, ২৩ লাখ লোকৰ ঘৰত স্মাৰ্ট মিটাৰ লগাই চলোৱা লুণ্ঠনৰ বিৰুদ্ধে যি আন্দোলন এই আন্দোলনত শ্বহীদ হোৱা মৃদুল ইছলামৰ ত্যাগ অথলে যাবলৈ নিদিও বুলি কয় ভূপেন বৰাই। এই আন্দোলন তীব্ৰতৰ আৰু আপোচবিহীন হ'ব বুলি সদম্ভে ঘোষণা কৰিছে ভূপেন বৰাই। মৃদুল ইছলামক বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে কংগ্ৰেছে কৰা আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ ঘোষণা কৰা হৈছে। গুৱাহাটীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱন আৰু সমগ্ৰ অসমৰ কংগ্ৰেছ কাৰ্যালয়ত কংগ্ৰেছৰ পতাকা অৰ্ধনমিত কৰি মৃদুল ইছলামক সন্মান প্ৰদানৰ ঘোষণা কৰিছে ভূপেন বৰাই। লগতে মৃদুল ইছলামৰ স্মৃতিত ৰাজ্যজুৰি কংগ্ৰেছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পালন কৰাৰ ঘোষণা কৰে।

এই হত্যাকাণ্ডৰ বিৰুদ্ধে চলিত সংসদত কংগ্ৰেছে বিষয়টো উত্থাপন কৰি প্ৰতিবাদ কৰিব বুলি ভূপেন বৰাই উল্লেখ কৰে। হিমন্ত বিশ্ব শৰ্মাই কোনগৰাকী বিষয়াক নিৰ্দেশ দি একেলগে তিনিটা কন্দুৱা গেছ দি মানুহ হত্যা কৰিলে সেই কথা উলিয়াবলৈ উচ্চস্তৰীয় তদন্ত দাবী কৰে কংগ্ৰেছ সভাপতিগৰাকীয়ে। ভূপেন বৰাই আৱেগিক হৈ কয় যে আজি মণিপুৰ যেনেকৈ জ্বলিছে আৰু মহিলাক নাঙঠ কৰা হৈছে, তেনেকৈ অসমত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে মানুহ জ্বলি-পকি আছে। চৰকাৰৰ খবৰ নাই। গণতান্ত্ৰিক আন্দোলনক ৰাজভৱনলৈ অনাটো অপৰাধ হিচাপে গণ্য কৰি চৰকাৰে হত্যাৰ আশ্ৰয় লৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃদুল ইছলাম নিহত হোৱাৰ খবৰ পোৱাৰ পিছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ ভূপেন বৰাই কয় যে হত্যা কৰা বুলি কোৱাত যুক্তি আছে। কিয়নো আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰে ছত্ৰভংগ দিবলৈ। কিন্তু ছত্ৰভংগৰ পৰিৱৰ্তে মৃদুল নিহত হৈছে। কেইজনমান সাংবাদিক কেনেবাকৈ বাচি গৈছে। মুখৰ সন্মুখত এটা-দুটা নহয়, তিনিটা কন্দুৱা গেছ দিছে। আজিলৈ মুখৰ সন্মুখত কন্দুৱা গেছ দিয়া দেখা নাই। মৃদুলৰ মুখৰ সন্মুখত কন্দুৱা গেছ দি মৃদুল ইছলামক হত্যা কৰি কংগ্ৰেছক ভয় খুৱাবলৈ প্ৰয়াস কৰিছে। কংগ্ৰেছে ভয় নাখায়। মৃদুল ইছলামৰ মৃত্যু আমি অথলে যাবলৈ নিদিও। ডিজিটেল বাহিনীৰ কামৰূপৰ

সমন্বয়ক তথা আইনী কোষৰ সম্পাদক পদত থকা মৃদুল ইছলামক বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে কংগ্ৰেছে কৰা আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ হিচাপেও ঘোষণা কৰে প্ৰদেশ কংগ্ৰেছে। ইফালে, উজানবজাৰত আন্দোলনৰ সময়ত মৃদুল ইছলাম নিহত হোৱাৰ পিছতে কংগ্ৰেছে আৰক্ষী আৰু চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কংগ্ৰছে আন্দোলনৰ সময়তে ইছলাম নিহত হোৱাৰ অভিযোগ উত্থাপন কৰি লতাশিল আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈয়ে লতাশিল আৰক্ষী থানাত এজাহাৰ দাখিল কৰি ঘটনাৰ তদন্ত দাবী কৰি ইছলামক ন্যায়ৰ দাবীৰ জনায়। লতাশিল আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰি প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে অত্যধিক মাত্ৰাত কন্দুৱা গেছ প্ৰয়োগ কৰাৰ বাবে ইছলামৰ মৃত্যুৰ গুৰুতৰ অভিযোগ আনিছে। ঘটনাৰ নিৰপেক্ষ তদন্ত দাবী উত্থাপনৰ লগতে দোষী আৰক্ষী বিষয়াৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণৰ দাবী জনায়। বিপুল গগৈয়ে ঘটনাক গৰিহণা দি কয় যে কন্দুৱা গেছৰ বিষাক্ত পাৰ্শ্বক্ৰিয়াৰ বাবে আমি এজন সতীৰ্থক হেৰুৱালো। লগতে গগৈয়ে কয় যে অসম চৰকাৰৰ আৰক্ষী বাহিনীয়ে এনে কাম কৰিব নালাগিছিল। মানুহৰ মৰণ বিচাৰি কন্দুৱা গেছ দিব নালাগিছিল। প্ৰতিবাদী কাৰ্যসূচী সম্পূৰ্ণ শান্তিপূৰ্ণ আছিল বুলি কৈ ঘটনাৰ উচিত তদন্তৰ বাবে এজাহাৰ দাখিল কৰা বুলি কয় গগৈয়ে।

# মৃদুলৰ পৰিয়ালক ১ কোটি টকা প্ৰদানৰ দাবী অখিলৰ

**ই-সংবাদ, ১৮ ডিচেম্বৰঃ** গুৱাহাটীত কংগ্ৰেছৰ প্ৰতিবাদৰ সময়ত কংগ্ৰেছ নেতা মৃদুল ইছলাম নিহত হোৱাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিৰোধী দলসমূহেও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। চৰকাৰৰ এনে কাণ্ড নিন্দা কৰা বুলি কৈ আৰক্ষী সঞ্চালক প্ৰধানৰ

পদত্যাগ দাবী কৰি অসমৰ মুখ্যমন্ত্ৰীক ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী জনাই অখিল গগৈয়ে। হিমন্ত বিশ্ব শৰ্মাক ৰাজহুৱাকৈ ক্ষমা খোজাৰ লগতে মৃদুল ইছলামৰ ঘৰলৈ গৈ দুখ প্ৰকাশ কৰি ১ কোটি টকাৰ ক্ষতিপূৰণ দিয়াৰ দাবী উত্থাপন কৰিছে গগৈয়ে। অসম পুলিচৰ হৈছে কি বুলিও প্ৰশ্ন কৰি ৰাজভৱনৰ নিচিনা

ঠাইত অসমৰ সৰ্ববৃহৎ বিৰোধী ৰাজনৈতিক দলটোৱে গণতান্ত্ৰিকভাৱে কৰা প্ৰতিবাদক এনেদৰে দমন কৰাটো কেতিয়াও মানি ল'ব নোৱাৰি বুলি কয় গগৈয়ে। তেওঁ আৰু কয় যে যদি ৰাজনৈতিক দলৰ প্ৰতিবাদৰ ওপৰত এনেদৰে আক্ৰমণ কৰিছে তেন্তে বুজা গৈছে চৰকাৰ নিজেই নিৰাপত্তাহীনতাত ভুগিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষীৰ নিৰ্বিচাৰ কন্দুৰা গেছে কাঢ়িলে

পৰিৱেশত মানুহে এতিয়া প্ৰতিবাদ কৰিবলৈ ভয় কৰিবলৈ বাধ্য হ'ব। সংবিধান তথা দেশখৰ গণতান্ত্ৰিক ব্যৱস্থাই জনগণক মুক্তমনেৰে প্ৰতিবাদ তথা কথা ৰাখিবলৈ অধিকাৰ দিছে যদিও চৰকাৰে জনগণৰ এই অধিকাৰক পেংলাই কৰি জনগণৰ ডিঙি চেপি ধৰিছে। অভিব্যক্তি তথা কথা ক'বলৈ ভয় কৰিবলৈ আৰম্ভ কৰাৰ সময়তে যি নাগৰিকে অত্যুৎসাহেৰে প্ৰতিবাদ কৰিবলৈ ওলাই আহিব সেইসকলক গুলীৰে দমন কৰিবলৈ পৰিৱেশ গঢ়ি দিয়া হৈছে। এই প্ৰথা যেন লাহে লাহে আৰম্ভ হৈছে। বুধবাৰে ইয়াৰ প্ৰমাণ পোৱা গ'ল অসম আৰু উত্তৰ প্ৰদেশত। অসমত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে উলিওৱা ৰাজভৱন চলো শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী আৰু উত্তৰ প্ৰদেশত উত্তৰ প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গ্ৰহণ কৰা বিধানসভা ঘেৰাও কাৰ্যসূচীত আৰক্ষীৰ বৰ্বৰতাৰ বলি হৈ মৃত্যুক আকোৱালি লয় ২ কংগ্ৰেছ কৰ্মীয়ে। অসমত আৰক্ষীয়ে ব্যৱহাৰ কৰা কন্দুৰা গেছৰ শ্বেল লাগি মৃদুল ইছলাম নামৰ কংগ্ৰেছ কৰ্মীগৰাকীৰ মৃত্যু ঘটাৰ লগতে উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌত আৰক্ষীৰ বৰ্বৰতাৰ বলি হৈ প্ৰাণ হেৰুৱাই কংগ্ৰেছ কৰ্মী প্ৰভাত পাণ্ডেই। প্ৰাপ্ত খবৰ অনুযায়ী  অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে উজানবজাৰৰ ৰাজভৱন এলেকাত উলিওৱা এক মিছিলৰ সময়ত আৰক্ষীয়ে কন্দুৰা গেছ প্ৰয়োগ কৰে। যুৱ অধিবক্তাজনে মিছিলৰ সৈতে গৈ থকাৰ সময়তে আৰক্ষীয়ে হঠাতে আক্ৰমণাত্মক হৈ কন্দুৰা গেছ ব্যৱহাৰ কৰাৰ সময়ত কন্দুৰা গেছৰ শক্তিশালী শ্বেল এটা শৰীৰত লগাত ঢলি পৰে মৃদুল ইছলাম নামৰ অধিবক্তাজন। অধিবক্তাজনক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। কংগ্ৰেছৰ আইনী কোষৰ অধিবক্তা মৃদুল ইছলামৰ ঘৰ দক্ষিণ কামৰূপৰ সোণতলীত। উল্লেখ্য যে, আজি কংগ্ৰেছে কেইবাহাজাৰ লোকক একত্ৰিত কৰি এক দেশ এক নিৰ্বাচনৰ বিৰোধিতাৰ লগতে স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ, মণিপুৰৰ হিংসা ৰোধ, আদানিৰ কেলেংকাৰীৰ বিৰুদ্ধে 'ৰাজভৱন চলো' কাৰ্যসূচী ৰূপায়ণ কৰিছিল। মিছিল কৰি গৈ উজানবজাৰৰ ৰাজভৱনত ধৰ্ণা দিয়াৰ কথা আছিল। উজানবজাৰস্থিত দুৰ্গা মন্দিৰৰ সমীপৰ এখন প্ৰাথমিক বিদ্যালয়ত কংগ্ৰেছ নেতা-কৰ্মীসকলে একত্ৰিত হয়। উক্ত স্থানৰ পৰা মিছিল উলিয়াই গৈ থাকোতেই আৰক্ষীয়ে আদবাটতে মিছিলটোক বাধা দিয়ে। আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। কন্দুৰা গেছ প্ৰয়োগ কৰাৰ লগতে লাঠিচালনা কৰে। ফলত মৃদুল ইছলাম নিহত হোৱাৰ লগতে আৰক্ষীৰ আক্ৰমণত কেইবাগৰাকীও সাংবাদিক আৰু কংগ্ৰেছ কৰ্মী আহত হয়। মৃদুল ইছলামৰ ঘটনা সংঘটিত হৈছে ৰাজ্যপাল থকা ৰাজভৱনৰ পৰা কিছু নিলগত। প্ৰদেশ কংগ্ৰেছৰ কেইবা হাজাৰ লোকে শান্তিপূৰ্ণভাৱে মিছিল কৰি গৈ থকাৰ সময়য়ে ৰাজভৱনৰ পৰা কিছু নিলগত আৰক্ষীয়ে বাধা দিছিল। এই মিছিলত আছিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি, বিৰোধী দলপতিসহ আটাইকেইগৰাকী শীৰ্ষ নেতা। আৰক্ষীৰ বাধা নেওচি আগে আগে শীৰ্ষ নেতাসকল, পিছে পিছে নেতা-কৰ্মী আৰু সমৰ্থকে চৰকাৰ বিৰোধী শ্ল'গান দি গৈ আছিল। আৰক্ষীৰ বৃহৎ দলে মিছিলটোক বাধা দিয়ে। বাধা দিয়াৰ সময়তে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বেৰিকেড বগাবলৈ প্ৰয়াস কৰিছিল। সেই সময়তে আৰক্ষীয়ে শীৰ্ষ নেতাক আঁতৰাবলৈ প্ৰয়াস কৰাৰ লগতে কন্দুৰা গেছ প্ৰয়োগ কৰে। কন্দুৰা গেছ নিক্ষেপ কৰাত মৃদুল ইছলাম নামৰ অধিবক্তাজনৰ শৰীৰত এটা শ্বেল লাগে। প্ৰত্যক্ষদৰ্শীৰ মতে, শ্বেলটো লগাৰ পিছতে চিঞৰ মাৰি মৃদুল ইছলাম বাগৰি পৰে। মৃদুল ইছলামক একাংশ লোকে সাবতি ধৰি চেতনা ঘূৰাই আনিবলৈ প্ৰয়াস কৰে যদিও লগে লগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিছু সময় পৰীক্ষা-নিৰীক্ষা কৰা হয় যদিও মৃত ঘোষণা কৰা হয়। সন্দেহ কৰা মতে, শূন্যলৈ মৰাৰ পৰিৱৰ্তে কন্দুৰা গেছ আৰক্ষীয়ে প্ৰতিবাদকাৰীলৈ টাৰ্গেট কৰি নিক্ষেপ কৰিছিল। যাৰ বাবে দেহত লাগি আঘাতপ্ৰাপ্ত হৈ মৃদুল ইছলাম নিহত হয়। এই ঘটনাক লৈ ক্ষুব্ধ হৈ পৰিছে কংগ্ৰেছে। কংগ্ৰেছে এজন নিষ্ঠাৱান নেতাক হেৰুৱাই মৰ্মাহত হৈছে। আনহাতে, কংগ্ৰেছৰ বিধানসভা ঘেৰাওক লৈ উত্তপ্ত হৈ পৰিছে উত্তৰ প্ৰদেশৰ ৰাজনৈতিক পৰিস্থিতি। বুধবাৰে এই প্ৰতিবাদত এজন কংগ্ৰেছ কৰ্মীৰ মৃত্যুৱে পৰিস্থিতি আৰু অধিক ভয়াৱহ কৰি তুলিছে। এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ ল'বলৈ লক্ষ্ণৌৰ পৰা অহা কংগ্ৰেছ কৰ্মী প্ৰভাত পাণ্ডেৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে প্ৰতিবাদত নতুন জোৱাৰ উঠা পৰিলক্ষিত হয়। ইফালে, প্ৰভাত পাণ্ডেৰ মৃতদেহ অসামৰিক চিকিৎসালয়লৈ নিয়াৰ কিছু সময়ৰ পিছতে তাত উপস্থিত হয় কংগ্ৰেছৰ ৰাজ্যিক সভাপতি অজয় ৰায়। তাৰ পিছত উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকো অসামৰিক চিকিৎসালয়ত উপস্থিত হয়। ইফালে কংগ্ৰেছ নেতাসকলে বিধানসভা ঘেৰাও কৰিবলৈ লক্ষ্ণৌ পোৱাৰ প্ৰস্তুতি চলাইছিল যদিও আৰক্ষীয়ে তেওঁলোকক বিভিন্ন জিলাত ৰখাই শীৰ্ষ নেতাসকলক আটক কৰি ৰাখে। লক্ষ্ণৌৰ কংগ্ৰেছৰ কাৰ্যালয়ত উপস্থিত হোৱা নেতাসকলক আৰক্ষীয়ে আটক কৰি ইকো গাৰ্ডেনত মুকলি কৰি দিয়ে। বিধানসভা ভৱনত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাসকলকো আৰক্ষীয়ে আটক কৰি ৰাখিছে। ৰাজ্যিক সভাপতি অজয় ৰয়ক বিধানসভা ঘেৰাও কৰিবলৈ যোৱাৰ সময়তে আৰক্ষীয়ে আটক কৰে। ইয়াৰ পূৰ্বে বুধবাৰে পুৱা লক্ষ্ণৌত কংগ্ৰেছৰ নেতা আহিবলৈ আৰম্ভ কৰাৰ সময়ত তেওঁলোকক জিলাখনত আটক কৰি বিভিন্ন স্থানত বেৰিকেড স্থাপন কৰি প্ৰতিবাদ কাৰ্যসূচীত বাধা প্ৰদান কৰা হয়। লক্ষ্ণৌৰ কংগ্ৰেছৰ কাৰ্যালয়ৰ সন্মুখত ৰেপিড একচন ফৰ্চৰ জোৱান মোতায়েন কৰি কাৰ্যালয়ৰ বাহিৰত নেতাক আটক কৰাৰ প্ৰস্তুতি আৰম্ভ হয়। প্ৰতিবাদ প্ৰতিহত কৰিবলৈ আৰক্ষীয়ে কৰা প্ৰয়াসক তীব্ৰ সমালোচনা কৰি কংগ্ৰেছৰ ৰাজ্যিক সভাপতি অজয় ৰয়ে কয়, "আমাৰ সদস্যসকলক বাধা দিবলৈ জোঙাল বেৰিকেড স্থাপন কৰা হৈছে। এইবোৰে আমাৰ সদস্যসকলক গুৰুতৰভাৱে আঘাত কৰিব। এনে ঘটনা আগতে কেতিয়াও হোৱা নাছিল। এই চৰকাৰে আমাৰ সদস্য-কৰ্মীক হত্যা কৰিব বিচাৰিছে। গাজীপুৰ সীমান্তত আমাৰ কৰ্মী-সদস্যক ৰখাই দিয়া হৈছে। কিন্তু আমি সকলো বাধাক আওকাণ কৰিছো।" উল্লেখ্য যে, এই প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি অজয় ৰয়, প্ৰাক্তন ৰাজ্যিক সাধাৰণ সম্পাদক অনিল যাদৱ, দীনেশ সিং আদিকে ধৰি দুই ডজনৰো অধিক শীৰ্ষ নেতালৈ আৰক্ষীয়ে জাননী প্ৰেৰণ কৰিছে। সন্ধিয়াৰ পৰা এই নেতাসকলৰ ঘৰত মোতায়েন কৰা হৈছে আৰক্ষী। ইফালে, কংগ্ৰেছ সাংসদ তথা লোকাসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কয়, "বিজেপি শাসিত অসম আৰু উত্তৰ প্ৰদেশত পুনৰ গণতন্ত্ৰ আৰু সংবিধানক হত্যা কৰা হৈছে। সমগ্ৰ দেশতে কংগ্ৰেছ দলে বাবাছাহেব আৰু সংবিধানৰ বাবে সত্যাগ্ৰহ কৰি আছে। এই সময়তে অত্যধিক আৰক্ষী বাহিনীৰ বাবে গুৱাহাটীত মৃদুল ইছলাম আৰু লক্ষ্ণৌত প্ৰভাত পাণ্ডে নামৰ কংগ্ৰেছৰ দুগৰাকীকৈ কৰ্মীৰ মৃত্যুৰ ঘটনা অত্যন্ত দুখজনক আৰু নিন্দনীয়। তেওঁলোকৰ শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ পৰিয়ালৰ ন্যায় লাভৰ সম্পূৰ্ণ অধিকাৰ আছে।"

# মৃদুলৰ সন্তানৰ ভৰণ-পোষণৰ দায়িত্ব ল'লে কংগ্ৰেছে

**ই-সংবাদ, ১৮ ডিচেম্বৰঃ** কংগ্ৰেছৰ আইনী কোষৰ নেতা মৃদুল ইছলামৰ মৃত্যুত মৰ্মাহত হৈছে অসম প্ৰদেশ কংগ্ৰেছৰ পৰিয়াল। দক্ষিণ কামৰূপৰ সোণতলীৰ বাসিন্দা তথা কংগ্ৰেছৰ আইনী কোষৰ সম্পাদক মৃদুল ইছলামক হেৰুৱাই কংগ্ৰেছত শোকৰ বন্যা বৈছে। অধিবক্তা মৃদুল ইছলাম পেচাত অধিবক্তা আছিল। অধিবক্তা মৃদুল ইছলামে পত্নী আৰু দুই সন্তানক এৰি গৈছে। অধিবক্তাৰূপে আইনী সেৱা কৰি লাভ কৰা টকাৰে সংসাৰ চলাইছিল। স্বামীৰ মৃত্যুৰ পিছতে মৃদুল ইছলামৰ পত্নী আৰু দুই সন্তান অসহায় হৈ পৰিব। কংগ্ৰেছৰ প্ৰতিবাদাবী কাৰ্যসূচীত অংশ লৈ প্ৰাণ দিয়া অধিবক্তা ইছলাম নিহত হোৱাৰ পিছতে কংগ্ৰেছে  বৃহৎ সিদ্ধান্ত লৈছে। অসম প্ৰদেশ কংগ্ৰেছে মৃদুল ইছলামৰ দুই সন্তানক ভৰণ-পোষণৰ দায়িত্ব লোৱাৰ ঘোষণা কৰিছে। অনাগত দিনত প্ৰদেশ কংগ্ৰেছে মৃদুল ইছলামৰ দুই সন্তানৰ শিক্ষা-দীক্ষা, ভৰণ-পোষৰ দায়িত্ব লৈছে। যেতিয়ালৈ দুই সন্তান উপাৰ্জনৰ বাবে যোগ্য হৈ নুঠিব তেতিয়ালৈ কংগ্ৰেছে দায়িত্ব লৈছে দুই সন্তানে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃত্যুদণ্ড নহয় পৰেশ বৰুৱাৰ!

সেনাধ্যক্ষ পৰেশ বৰুৱাৰ অৱস্থানক লৈ জল্পনা-কল্পনাৰ মাজতে বাংলাদেশৰ আদালতৰ এক ৰায়দানে সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। বাংলাদেশৰ এখন আদালতে পৰেশ বৰুৱাক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহাৰ খবৰ প্ৰকাশ কৰিছে দেশখনৰ সংবাদ মাধ্যমে। ২০০৪ চনত চিটাগঙত অস্ত্ৰ সৰবৰাহৰ এক গোচৰত জড়িত থকাৰ অভিযোগত যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে আলফাৰ সেনাধ্যক্ষজনক। বাতৰি অনুসৰি, ২০০৪ চনত চিটাগঙত বাংলাদেশ আৰক্ষীয়ে জব্দ কৰিছিল প্ৰায় ১০ খন অস্ত্ৰভৰ্তি ট্ৰাক। সেই বছৰৰ এপ্ৰিল মাহত চট্টগ্ৰামৰ জৰিয়তে উত্তৰ-পূব ভাৰতৰ আলফাৰ আত্মগোপনৰ স্থানলৈ অস্ত্ৰসমূহ সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন হৈছিল। জব্দ কৰা অস্ত্ৰসমূহৰ ভিতৰত আছিল ২৭,০০০ তকৈও অধিক গ্ৰেণেড, ১৫০ টা ৰকেট লঞ্চাৰ, ১১ লাখতকৈও অধিক গোলা বাৰুদ, ১,১০০ চাব মেচিনগান আৰু ১১.৪১ নিযুত গুলী। এই অস্ত্ৰ সৰবৰাহৰ গোচৰত পৰেশ বৰুৱাক মূল অভিযুক্ত হিচাপে লৈ বাংলাদেশ আৰক্ষীয়ে আদালতত অভিযোগনামা দাখিল কৰাৰ পিছতে আদালতে শাস্তি ঘোষণা কৰে। লক্ষণীয় যে, আলফাৰ সেনাধ্যক্ষক নিম্ন আদালতে প্ৰথমে মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰে যদিও উচ্চ ন্যায়ালয়ৰ দুজনীয়া বিচাৰপীঠে পৰৱৰ্তী সময়ত এই শাস্তি খাৰিজ কৰি যাৱজ্জীৱন কাৰাদণ্ড প্ৰদান কৰে। বাংলাদেশৰ এজন চৰকাৰী বিষয়াই প্ৰকাশ কৰা মতে, এই সময়ত পৰেশ বৰুৱাই চীনত আত্মগোপন কৰি থকাৰ সন্দেহ কৰা হৈছে। ইফালে একেটা অস্ত্ৰ সৰবৰাহৰ গোচৰত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মোস্তফা জামান ইছলাম আৰু ন্যায়াধীশ নাছৰিন আখটাৰৰ বিচাৰপীঠে দোষমুক্ত ঘোষণা কৰে ৰাজ্যৰ প্ৰাক্তন গৃহ মন্ত্ৰী লুৎফুজ্জমান বাবৰ আৰু আন ৬ জনক। একে সময়তে ফাঁচীৰ পৰা ৰেহাই পোৱা আন পাঁচ জন হৈছে বাংলাদেশ সেনাৰ ইন্টেলিজেঞ্চৰ প্ৰাক্তন সঞ্চালক প্ৰধান (ডি জি এফ আই) অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল ৰেজাকুল হায়দৰ চৌধুৰী, এটা চৰকাৰী সাৰ প্ৰকল্পৰ (চি ইউ এফ এল) প্ৰাক্তন পৰিচালন সঞ্চালক মহছিন তালুকদাৰ, কোম্পানীটোৰ জেনেৰেল মেনেজাৰ এনামুল হক, উদ্যোগ মন্ত্ৰালয়ৰ প্ৰাক্তন অতিৰিক্ত সচিব নুৰুল আমিন আৰু জামাত-ই-ইছলামী নেতা মতিউৰ ৰহমান নিজামী। মন কৰিবলগীয়া যে, এই প্ৰকল্পৰ স্থানটো আলফাৰ বাবে অস্ত্ৰ-শস্ত্ৰ ৰপ্তানিৰ বাবে ব্যৱহাৰ কৰা হৈছিল বুলি অভিযোগ উত্থাপন হৈছিল। ইফালে বাংলাদেশৰ ৰাষ্ট্ৰীয় সুৰক্ষা চোৰাংচোৱা বিভাগৰ প্ৰাক্তন মুৰব্বী প্ৰাক্তন ব্ৰিগেডিয়াৰ জেনেৰেল আব্দুৰ ৰহিমক পূৰ্বে মৃত্যুদণ্ড বিহা হয় যদিও আবেদন আৰু মৃত্যুৰ শুনানি প্ৰক্ৰিয়া চলি থকাৰ সময়তে তেওঁৰ কাৰাগাৰত মৃত্যু হয়। আদালতত চলি থকা এই অস্ত্ৰ সৰবৰাহ আৰু ষড়যন্ত্ৰৰ গোচৰ বাংলাদেশৰ তদানীন্তন বি এন পি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ সময়ত কেইবা বছৰলৈ স্থগিত ৰখা হৈছিল যদিও পৰৱৰ্তী সামৰিক সমৰ্থিত অন্তৰ্বৰ্তীকালীন চৰকাৰে ২০০৮ চনত গোচৰটোৰ পুনৰ তদন্তৰ নিৰ্দেশ প্ৰদান কৰিছিল।

# ধুবুৰী, কোকৰাঝাৰত এছটিএফ, জালত পৰিল একাধিক সন্দেহযুক্ত জেহাদী

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ ডিচেম্বৰঃ** নামনি অসমৰ কোকৰাঝাৰ জিলাৰ বিভিন্ন প্ৰান্তত আৰু বিলাসীপাৰাত কালি শেষনিশা এছটিএফে অভিযান চলাই বাংলাদেশৰ জইছ-ঈ-মহম্মদৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ অভিযোগত কেবাজনো সন্দেহযুক্ত জেহাদীক আটক কৰে। এচটিএফে কোকৰাঝাৰৰ পৰা আটক কৰা সন্দেহযুক্ত জেহাদীসকল হ'ল ক্ৰমে নুৰ ইছলাম মণ্ডল, আব্দুল কৰিম মণ্ডল , মজিবুৰ ৰহমান আৰু হামিদুল ইছলাম। আনহাতে বিলাসীপাৰাৰ পৰা এনামুলক আটক কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গুৱাহাটীৰ পৰা অহা বিশেষ টাস্ক ফৰ্চে কোকৰাঝাৰ আৰু বিলাসীপাৰাত অভিযান চলাই এই সফলতা লাভ কৰে। এছটিএফে কোকৰাঝাৰৰ নামাপাৰা, কাশিপাৰা, বড়ো ভদেয়াগুৰী আৰু ধুবুৰী জিলাৰ বিলাসীপাৰাৰ পৰা আটক কৰে সন্দেহযুক্ত জেহাদীকেইটাক। বৰ্তমানলৈকে সন্দেহযুক্ত জেহাদীকেইটাৰ বিতং তথ্য আৰক্ষীয়ে সদৰি কৰা নাই। ইতিমধ্যে গুৱাহাটীৰ পৰা অহা বিশেষ টাস্ক ফৰ্চে আটকাধীন সন্দেহযুক্ত জেহাদীকেইটাক লৈ গুৱাহাটীলৈ ৰাওনা হৈছে। উল্লেখ্য যে এচটিএফে সাধাৰণ পোছাকত কালি সন্ধিয়া কোকৰাঝাৰৰ বজাৰৰ পৰা এজন সন্দেহযুক্ত জেহাদীক আটক কৰাৰ পিছত শেষনিশা জিলাখনৰ নামাপাৰা, কাশিপাৰা, বড়ো ভদেয়াগুৰীত অভিযান চলাই সন্দেহযুক্ত জেহাদীকেইটাক আটক কৰিছিল এচটিএফে। ইপিনে আটকাধীন সন্দেহযুক্ত জেহাদীসকলৰ পৰিয়ালৰ লোকে সদৰি কৰা মতে পেশাত ৰাজমিস্ত্ৰী, টাইলচ মিস্ত্ৰী কৰি কোনোমতে পৰিয়াল পোহপাল দি থকা তেওঁলোকৰ সন্তানসকল কোনোপধ্যে বেয়া কামত লিপ্ত নাছিল আৰু তেওঁলোকক নিৰ্দোষী বুলি দাবী কৰিছে পৰিয়ালৰ লোকে। উল্লেখ্য যে এচটিএফে আটক কৰা নুৰ ইছলাম মণ্ডল, আব্দুল কৰিম মণ্ডল , মজিবুৰ ৰহমান আৰু হামিদুল ইছলামক এচটিএফে অধিক সোধপোছৰ বাবে গুৱাহাটীলৈ লৈ যায়।

# শিৱসাগৰত অমিত শ্বাহৰ বিৰুদ্ধে এজাহাৰ দাখিল

**ই-সংবাদ, শিৱসাগৰ, ১৮ ডিচেম্বৰঃ** ভাৰতৰ সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰক দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে উপহাস কৰা, তুচ্ছ তাচ্ছিল্য কৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। এই অভিযোগ তুলি আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে এজেহাৰ দাখিল কৰে সংগঠনটোৱে। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পৰশজ্যোতি দাসৰ নেতৃত্বত যোৱা এদল বিষয়ববীয়াই সদৰ থানাত এজেহাৰ দাখিল কৰাৰ উপৰিও তীব্ৰ ক্ষোভ প্ৰকাশ কৰে সংবাদ মাধ্যমৰ আগত। পৰশজ্যোতি দাসে কয়, "সংসদৰ পবিত্ৰ মজিয়াত অমিত শ্বাহে বি আৰ আম্বেদকাৰক এক প্ৰকাৰৰ উপহাস কৰিছে। আম্বেদকাৰৰ পৰিবৰ্তে ভগৱানৰ নাম ল'ব লাগে বুলি কোৱাৰ যুক্তি নাই। আমি ভগৱান বিৰোধী নহয়। ভগৱান এক অদৃশ্য শক্তি। ভগৱানৰ প্ৰতি আমিও সেৱা নিবেদন কৰোঁ। কিন্তু সেই বুলি অপ্ৰাসংগিকভাৱে বি আৰ আম্বেদকাৰৰ পৰিবৰ্তে ভগৱানৰ নাম ল'ব লাগে বুলি কৈ অমিত শ্বাহে সংবিধান প্ৰণেতাগৰাকীৰ প্ৰতি অৱজ্ঞাসূচক মন্তব্য কৰিছে, উপহাস কৰিছে। অমিত শ্বাহৰ মন্তব্য আমি সহজভাৱে ল'ব পৰা নাই।" কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে দেশদ্ৰোহী পৰিকল্পনা কৰা বুলিও অভিযোগ উত্থাপন কৰিছে সন্থাই। তদুপৰি অনুসূচিত জাতি ছাত্ৰ সন্থা বি আৰ আম্বেদকাৰৰ আদৰ্শ ওপৰত প্ৰতিষ্ঠিত অনুষ্ঠান বুলি উল্লেখ কৰি অমিত শ্বাহৰ মন্তব্যই সন্থাৰ মৰ্যদাত আঘাত কৰা বুলি কয় সংগঠনটোৱে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# কলগাছিয়াত ঈদগাহৰ সন্মুখৰ পৰা যুৱকক অপহৰণৰ চেষ্টা

**ই-সংবাদ, কলগাছিয়া, ১৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত কলগাছিয়া ঈদগাহ ময়দানৰ সন্মুখত দিন দুপৰতেই দুৰ্বৃত্তৰ দলে অপহৰণৰ অপচেষ্টা চলায় এজন যুৱকক। যুৱকজন কলগাছিয়াৰ বলাইপাথাৰ গাঁৱৰ তাৰিফ মোল্লাহ বুলি জানিব পৰা গৈছে। চি চি কেমেৰাত প্ৰত্যক্ষ কৰা অনুসৰি দুখন বাইক আৰু এখন চাৰিচকীয়া বাহন লৈ ছজন দুৰ্বৃত্তই বলাইপাথাৰ গাঁৱৰ তাৰিফ মোল্লা নামৰ যুৱকজনক দলবদ্ধভাৱে আগুচি ধৰি টানি-চোঁচৰাই চাৰিচকীয়া বাহনত উঠাই অপহৰণ কৰি লৈ যোৱাৰ চেষ্টা কৰে। পিছে যুৱকজনে চিঞৰ-বাখৰ কৰাত দুৰ্বৃত্তৰ দলটোৱে যুৱকজনক এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে, দুৰ্বৃত্তৰ দলটোৰ সম্পূৰ্ণ দৃশ্য বন্দী হৈছে চি চি কেমেৰাত। কিন্তু চি চি কেমেৰাৰ দৃশ্য অনুসৰি ইয়াৰে দুজন যুৱক আৰু চাৰিচকীয়া বাহনখন কলগাছিয়াৰ বুলি জানিব পৰা গৈছে। কিন্তু কি কাৰণত যুৱকজনক অপহৰণ কৰাৰ চেষ্টা চলাইছিল এতিয়ালৈকে জানিব পৰা হোৱা নাই। দিন দুপৰতে হোৱা এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

# পিকনিক খাবলৈ গৈ চতিয়াৰ ইটাখোলাত প্ৰাণ হেৰুৱালে যুৱকে

**ই-সংবাদ, চতিয়া, ১৮ ডিচেম্বৰঃ** চতিয়াৰ ইটাখোলাত পিকনিক খাবলৈ গৈ এজন যুৱকৰ মৃত্যু হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিশ্বনাথ জিলাৰ চতিয়াৰ মাগুৰমাৰি গাঁৱৰ জ্ঞানজ্যোতি ফুকনে বন্ধুৰ লগত বাইকৰে প্ৰকৃতিৰ ৰম্যভূমি চিজোত পিকনিক খাবলৈ যায়। আনন্দ-স্ফূৰ্তিৰ মাজৰে লগ-বন্ধুৰ লগত পিকনিক খাই উভতি অহাৰ সময়ত মঙলবাৰে সন্ধিয়া ইটাখোলাত এজন চাইকেল আৰোহীৰ লগত দুৰ্ঘটনাত পতিত হৈ থিতাতে নিহত হয় ২০ জ্ঞানজ্যোতি ফুকন। জ্ঞানজ্যোতি ফুকন নতুন সাহিত্য পৰিষদৰ উত্তৰ চতিয়াৰ গীতি কবি কেশৰ মহন্ত সোঁৰৱণী শাখাৰ সভাপতিৰ দায়িত্বত আছিল। জ্ঞানজ্যোতি ফুকনৰ অকাল মৃত্যুত নতুন সাহিত্য পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক মৃণাল গোস্বামী, সভাপতি জ্ঞানেন্দ্ৰ সৰকাৰ, চতিয়া শাখাৰ সম্পাদক অঞ্জন শইকীয়া, উত্তৰ চতিয়া শাখাৰ সভাপতি মৃদুল সন্দিকৈ, সম্পাদিকা লৰণু শইকীয়াই গভীৰ শোক প্ৰকাশ কৰিছে।

## ডিব্ৰুগড়ত ৰাইজৰ দলৰ বৃহৎ যোগদান কাৰ্যসূচী

# মুখ্যমন্ত্ৰীক সমালোচনা, ভূপেন বৰাকো প্ৰত্যুত্তৰ অখিলৰ

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰঃ** কিছুদিনৰ আগতে ৰাইজৰ দলত যোগদান কৰা ডাঃ ৰিক্তম বৰগোহাঁইৰ নেতৃত্বত ডিব্ৰুগড়ত ৰাইজৰ দলৰ বৃহৎ যোগদান কাৰ্যসূচী আৰু দলীয় সভা অনুষ্ঠিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰে দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বৃহৎ বাইক ৰেলীৰে ডিব্ৰুগড় চহৰৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত উপস্থিত হয় অখিল গগৈ। মন্ত্ৰীসকলে মিডিয়াৰ আগত ৰাজনৈতিক মুখ নুখুলিবলৈ মুখ্যমন্ত্ৰীয়ে দিয়া নিৰ্দেশ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অখিল গগৈয়ে। কংগ্ৰেছৰ 'ৰাজভৱন চলোঁ' শীৰ্ষক প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰাত মৃত্যু হোৱা কংগ্ৰেছ কৰ্মী মৃদুল ইছলামৰ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। বিৰোধী দলৰ একত্ৰিকৰণক লৈ অখিল গগৈয়ে কয় যে ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ যদি একলগ হয়, উজনি অসমত ধুমুহাৰ সৃষ্টি হ'ব। মই নিজেই লুৰিণজ্যোতি গগৈক সভাপতি পাতি দিছিলোঁ। পৃথিৱীত কোনোবা নেতাই এনে কৰে নেকি, যি নিজে সদস্য হৈ আনক সভাপতি পাতি দিয়ে। কিন্তু এই কাম মই কৰিছিলোঁ। লুৰিণজ্যোতিহঁতে চুলিৰ দৰে সৰু সৰু খুটি-নাতিবিলাক উলিয়াই আছে। এইবিলাক উলিয়াই লাভ নাই। লগতে অখিল গগৈয়ে বিজেপিৰ দৰে কংগ্ৰেছক গালি পাৰি থকা বুলি ভূপেন বৰাই কৰা মন্তব্য সন্দৰ্ভতো বিধায়কগৰাকীয়ে প্ৰতিক্ৰিয়া দি কয় যে মই গালি পৰা নাই। কংগ্ৰেছে কয় বিজেপিৰ বিৰুদ্ধে একেলগ হ'ব লাগে। কিন্তু উপ-নিৰ্বাচনত তেওঁলোকে অকলে খেলিলে। পঞ্চায়ত নিৰ্বাচন অকলে খেলে, লোকসভাতো আনৰ বাবে এখন আসনহে এৰি দিয়ে। যদি লোকসভাৰ ১৩ টা সমষ্টিতে নিজে নিৰ্বাচন খেলে, তেন্তে কংগ্ৰেছে কেনেকৈ বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধ হ'ম বুলি ভাবিছে? কংগ্ৰেছে ক'ব লাগে ২০২৬ চনৰ নিৰ্বাচনত যদি বিজেপিক হৰুৱাব মন আছে, তেন্তে পঞ্চায়ত নিৰ্বাচন একেলগে খেলিব লাগিব। কংগ্ৰেছে লোকসভা নিৰ্বাচনত অধিকাংশ হাৰিলে, উপ-নিৰ্বাচন হাৰিলে। তেন্তে পঞ্চায়ত নিৰ্বাচন একেলগে খেলিব লাগিব নে নাই? মই ভূপেন বৰাক দৃঢ়তাৰে কওঁ, বিজেপিক পৃথিৱীৰ ভিতৰত মোতকৈ বেছি বেয়া পোৱা মানুহ কোনো নাই। সেয়েহে এই মুহূৰ্তত আমি যদি ঐক্যবদ্ধ নহওঁ, আমি ২০২৬ত বিজেপিক হৰুৱাব নোৱাৰোঁ। এই কথা কোৱাত যদি বিজেপিৰ পক্ষ লোৱা বুজায় ,তেতিয়াহ'লে উপায় নাই। মই ভূপেন বৰাৰ পৰা এটাই উত্তৰ বিচাৰিছোঁ যে আপোনালোকে পঞ্চায়ত নিৰ্বাচন একেলগে খিলিব নে নেখেলে? যদি নেখেলে তেন্তে আপোনালোকে বিজেপিক সহায় কৰিব।




ডিব্ৰুগড়ত ৰাইজৰ দলৰ বৃহৎ যোগদান কাৰ্যসূচীৰ এটি দৃশ্য, বুধবাৰে

# নগাঁও জিলাত সুশাসন সপ্তাহ পালন

**ই-সংবাদ, পুৰণিগুদাম, ১৮ ডিচেম্বৰঃ** দক্ষ, স্বচ্ছ আৰু নাগৰিক-কেন্দ্ৰিক শাসন প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰি আয়োজিত সু-শাসন সপ্তাহ ২০২৪ ৰ অংশ হিচাপে নগাঁও জিলাইয়ো অহা ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ 'প্ৰশাসন গাঁও কি অৰ' অভিযান পালন কৰাৰ কাৰ্যপন্থা হাতত লৈছে। ইয়াৰ জৰিয়তে ৰাজহুৱা অভিযোগবোৰ কাৰ্যকৰীভাৱে সমাধান কৰিবলৈ জিলাখনৰ ৭ টা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ১১ টা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা কৃষি বিষয়াৰ কাৰ্যালয়, নগাঁও ছাব-ৰেজিষ্টাৰ কাৰ্যালয়, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ কাৰ্যালয়, পৌৰসভা ক্ৰমে নগাঁও, ৰহা, ধিং, কামপুৰ কাৰ্যালয়ত পুৱা ১০ বজাৰ পৰা বিশেষ শিবিৰৰ আয়োজন কৰাৰ ব্যৱস্থা কৰা হৈছে যাৰ জৰিয়তে নাগৰিকসকলক দীৰ্ঘদিন ধৰি অমীমাংসিত সমস্যাৰ সমাধান বিচাৰিবলৈ এক মঞ্চ প্ৰদান কৰিব। লগতে ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে সকলো বিভাগক নাগৰিকসকলৰ অমীমাংসিত আবেদনসমূহ অতি শীঘ্ৰে নিষ্পত্তি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নগাঁও জিলা প্ৰশাসনে সকলো নাগৰিকক এই অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# নাট্যশিল্পী গম্ভীৰ শইকীয়ালৈ 'হেমাংগ বিশ্বাস বঁটা'



**ই-সংবাদ, বেৰেজীয়া, ১৮ ডিচেম্বৰঃ** প্ৰবীন নাট্যশিল্পী গম্ভীৰ শইকীয়ালৈ এইবাৰ আগবঢ়োৱা হৈছে 'হেমাংগ বিশ্বাস বঁটা' । আচলতে, নাট্যচৰ্চাত একাত্মভাৱে নিমগ্ন থাকি নাট্য জগতলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতি স্বৰূপে নগাঁও বিশিষ্ট নাট্যশিল্পী গৰাকীক ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিয়ে আগবঢ়াইছে এই সন্মান । ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত যোৱা ১৪ ডিচেম্বৰত নগাঁও চহৰৰ কমলা দেৱী চৌডী স্মৃতি ভৱনত গণশিল্পী হেমাংগ বিশ্বাসৰ সোঁৱৰণত উদযাপিত 'গণ সংগীতৰ দিন' শীৰ্ষক অনুষ্ঠানত আনুষ্ঠানিকভাৱে এই বঁটাটি প্ৰদান কৰা হয় । বিশিষ্ট নিবন্ধকাৰ ড° পৰমানন্দ মজুমদাৰ, বিশিষ্ট শিক্ষাবিদ ড° জ্যোতিৰ্ময় জানা, শৰৎ চন্দ্ৰ নেওগ, বিপুল তালুকদাৰকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বঁটাটি গ্ৰহন কৰি প্ৰবীন নাট্যশিল্পী শইকীয়াই পৰম সন্তুষ্টি লভাৰ কথা ব্যক্তি কৰি এনে সন্মানে কৰ্মময় জীৱনত আগুৱাই যোৱাৰ প্ৰেৰণা যোগাই বুলি মন্তব্য কৰে । উল্লেখ্য, নাট্য সাহিত্যক অন্তঃকৰণেৰে ভালপোৱা নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাট চাউলখোৱা গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক গম্ভীৰ শইকীয়াই সুদীৰ্ঘ কাল ধৰি নিৰৱচ্ছিন্নভাৱে নাট্য চৰ্চাত মনোনিৱেশ কৰি আহিছে । তেওঁ নিজৰ কৰ্মৰ জৰিয়তে ইতিমধ্যে অসমৰ নাট্য জগতত সুদক্ষ নাট্যকাৰ, নাট পৰিচালক, অভিনেতা, কণ্ঠশিল্পী হিচাপে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে । এইগৰাকী প্ৰবীন নাট্যশিল্পীয়ে বৰ্তমানলৈকে 'সুপ্ত কক্ষ', 'জ্বালামুখী', 'শিলে খুন্দা কপৌ', 'প্ৰত্যাৱৰ্তন', 'ওভোটা বেজ', 'যথা ধৰ্ম তথা জয়', 'অভিশপ্ত কৰ্ণ', 'শিশু পৰ্ব', 'বানাসুৰ' আদিৰ লগতে 'ৰেলগাড়ী', 'হিংসাসুৰ বধ', 'তুলা আৰু তেজা'কে ধৰি কেইবাখনো শিশু নাট ৰচনা কৰি নাট্য সাহিত্যৰ ভড়াল চহকী কৰিছে । তদুপৰি তেওঁ বহু নাটকত নিজে গীত গাই আৰু সংগীত পৰিচালনা কৰি নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি অহাৰ সমান্তৰালভাৱে পূৰ্বে ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবেও নাট ৰচনা কৰি দৰ্শনৰ আস্থা বুটলিবলৈ সক্ষম হৈছে । নাট্য চৰ্চাৰ সমান্তৰালভাৱে সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয় ৰূপত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই অহা এইগৰাকী বহু গুণধাৰী নাট্যশিল্পীৰ এই বঁটা লাভ কৰাৰ খবৰে সমগ্ৰ নগাঁও জিলাৰ লগতে জন্মভূমি চকলাঘাটৰ নাট্যপ্ৰেমী ৰাইজক উৎফুল্লিত কৰি তুলিছে ।

## অহা ১ জানুৱাৰী লৈকে অনুষ্ঠিত হ'ব বাণিজ্য মেলা

# চৌকিডিঙী খেলপথাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা উদ্বোধন মন্ত্ৰী প্ৰশান্ত ফুকনৰ

**ই সংবাদ, ডিব্ৰুগড়, ১৮ ডিচেম্বৰঃ** সম্ভাৱনাৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডীঙি খেলপথাৰত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় চিজন গ্ৰীণ এক্সপ'ৰ দ্বাৰ উন্মোচন কৰি শক্তি, দক্ষতা, নিয়োগ,উদ্যমিতা বিকাশ আৰু মেডিকেল শিক্ষা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে। কৃষ্টি-সংস্কৃতিৰ মহামিলনৰ লগতে আৰ্থ সামাজিক ক্ষেত্ৰতো কিছু অৱদানৰ উদ্দেশ্য আগত ৰাখিয়ে আয়োজন কৰা হয় আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা। দেশী- বিদেশী কৃষ্টি-সংস্কৃতিৰ লগতে পৰম্পৰাৰ, প্ৰতিফলিত আৰু আৰ্থ সামাজিক দিশৰ প্ৰতি লক্ষ্য ৰাখি সীমাহীন উদ্যম আৰু আগ্ৰহেৰে অনুষ্ঠিত হোৱা এই বাণিজ্য মেলাত ইৰাণ, আফগানিস্তান, থাইলেণ্ড, বাংলাদেশ আদি বিদেশী ৰাষ্ট্ৰৰ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰি তেওঁ লোকৰ উৎপাদিত বিভিন্ন সা- সামগ্ৰীৰ লগতে হায়দৰাবাদ, কাশ্মীৰ,পাঞ্জাৱ, উত্তৰ প্ৰদেশ, জয়পুৰ, ভাগলপুৰ, নগালেণ্ড, কলিকতা, গোৱা,মণিপুৰ, মুম্বাই, দিল্লী আদিৰ বিভিন্ন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।বিভিন্ন প্ৰকাৰৰ খাদ্য সম্ভাৰ, আদিকে ধৰি আছে কণ কণ শিশুসকলৰ বাবে খেলাৰ সামগ্ৰীও। দেশ বিদেশৰ সাজ- পোছাক, অত্যাৱশ্যকীয় সামগ্ৰী উপৰিও বিভিন্ন জাতি জনগোষ্ঠীয় পৰম্পৰাগত খাদ্য সম্ভাৰ উপলব্ধ হোৱাৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীয় নৃত্য সম্ভাৰ আৰু সাংস্কৃতিক অনুষ্ঠানে প্ৰতিদিনে উপস্থিত সকলক আমোদ দিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিছে। সাংবাদিক ৰাতুল গোহাঁইয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, জ্যেষ্ঠ সাংবাদিক চন্দন ফুকন, বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী কুশল কোঁৱৰকে প্ৰমুখ্যে কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ববিহুৱা জিতেন দাসৰ পৰিচালনাত ডিবৰু চেমনীয়া হুঁচৰি দলৰ বিহু পৰিৱেশনে সকলোকে অভিভূত কৰে। উল্লেখযোগ্য যে অহা ১ জানুৱাৰী লৈকে অনুষ্ঠিত হ'ব এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা।

# ভোলাগাঁৱত এক্সেভেটৰৰ খুন্দাত স্কুটি আৰোহী যুৱতী আহত

**ই-সংবাদ, মিৰ্জা, ১৮ ডিচেম্বৰঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত তথা পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনৰ লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন স্থানত পুৱাৰ পৰা নিশালৈকে অবাধ হাৰত চলা ভূমি খননকাৰ্যত ব্যৱহৃত শ-শ মাটিভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্যই অঞ্চলটোত সন্ত্ৰাস সৃষ্টি কৰিছে। এনে সময়তে আজি পুৱা ভোলাগাঁৱত এখন এক্সকেভাটাৰৰ খুন্দাত এখন স্কুটিৰ ক্ষতিসাধন হোৱাৰ লগতে এজনী যুৱতী স্কুটি আৰোহী আহত হয়। লগতে এই ঘটনাৰ ফলত কেইবাগৰাকী লোক দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰে। লগে লগে ঘটনাস্থলীত অঞ্চলটোৰ মানুহৰ লগতে চানডুবিলৈ বনভোজ খাবলৈ অহা একাংশ লোকৰ সমাগম হয়। আনকি যানযটৰো সৃষ্টি হয়। পিছত ঘটনাস্থলীত এই এক্সেভেটৰৰ মালিক আহি যুৱতীগৰাকীৰ স্কুটিখন ভাল কৰি দিয়াৰ দায়িত্ব লোৱাত পৰিস্থিতিৰ শাম কাটে। উল্লেখ্য যে, অসম মালা অধীনৰ মিৰ্জা চানডুবিৰ সংলগ্ন এই ভোলাগাঁওৰ পথছোৱাত বৰ্তমান বালি, শিল, মাটিভৰ্তি যানবাহনৰ অতি বিপদজনকভাৱে ৰখাই থোৱাই নহয়, এই পথছোৱা ধূলি-বালিৰে পোত গৈছে। ফলত ভোলাগাঁৱত সঘনাই এনে দুৰ্ঘটনা সংঘটিত হৈছে। আনকি অঞ্চলটোত বিভিন্ন যানবাহনৰ দৌৰাত্ম্য অব্যাহত আছে যদিও আৰক্ষী প্ৰশাসনে নাকি লগাবলৈ সক্ষম হোৱা নাই। বিশেষকৈ পলাশবাৰী আৰক্ষী, পশ্চিম কামৰূপ বন সংমণ্ডলৰ প্ৰাধিকৰী বিষয়া সুবোধ তালুকদাৰ আৰু লোহাৰঘাটৰ বনবিষয়া নয়নজ্যোতি দাসক মেনেজ কৰি একাংশ ব্যৱসায়ীয়ে এই অঞ্চলটোত এনে দৌৰাত্ম্য অব্যাহত ৰাখিছে।

# চাপানালাত বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন বিধায়ক জিতু গোস্বামীৰ

**ই-সংবাদ, পুৰণিগুদাম, ১৮ ডিচেম্বৰ:** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ অতি ভিতৰুৱা অঞ্চল চাপানালাৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অৱশেষত আহিল এটা ভাল খবৰ। এঘাৰশৰো অধিক ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ বিদ্যালয়খনৰ শ্ৰেণী কোঠাকে ধৰি বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আছিল।অৱশেষত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ প্ৰচেষ্টাত সাত কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা বিদ্যালয়গৃহৰ কামৰ আজি শুভাৰম্ভ কৰা হয়।এক বছৰ সময়ৰ ভিতৰত সম্পূৰ্ণ হ'ব লগা বিদ্যালয় গৃহত শ্ৰেণী কোঠা, লাইব্ৰেৰীকে ধৰি বিভিন্ন সা- সুবিধা থাকিব।এই শ্ৰেণী কোঠাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছতে বৃহত্তৰ চাপানালা অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা হ'ব। আজি দুপৰীয়া বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক জিতু গোস্বামীৰ উপৰিও বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰবিন্দ চৌধুৰী,বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক বিদ্যানাথ বৰা,প্ৰফুল্ল গগৈ,সমাজকৰ্মী কমল শইকীয়া,শৰৎ বৰা,গাঁওপ্ৰধান শংকৰ ভূমিজ,বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী জয়া শইকীয়া,ঠিকাদাৰ মনোজ আগৰৱালা,বিজেপি দলৰ বিষয়ববীয়া অতনু খাউণ্ড,কাজল দাস ,জীৱন ৰাউতা আদি উপস্থিত থকাৰ উপৰিও বিদ্যালয়খনৰ শিক্ষক- শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু চাপানালা অঞ্চলৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।বিদ্যালয়ৰ শিক্ষক হেড়ম্ব প্ৰসাদ গোস্বামীয়ে আঁট ধৰা আৰু বিদ্যালয়খনৰ অধ্যক্ষা পাৰুল গায়নে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

## কামপুৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জাতীয় চেতনা দিৱস

# ‘জাতীয় নায়ক’ৰ উপাধি প্ৰত্যাখান জাতীয়তাবাদী নেতা মতিউৰ ৰহমানৰ



**ই-সংবাদ, কামপুৰ, ১৮ ডিচেম্বৰঃ** ‘মই জাতীয় নায়ক নহয়, মই দেশ মাতৃৰ সেৱক, জাতিৰ চাকৰ। অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসকলৰ স্বধিকাৰ, নিজৰ মৰ্যাদা, নিজৰ শাসন ক্ষমতা ঘূৰাই আনিবৰ বাবে অসম সন্মিলিত মহাসংঘই কাম কৰি গৈছে।- এই মন্তব্য অসমৰ বিশিষ্ট জাতীয়তাবাদী নেতা তথা অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানৰ। আজি কামপুৰত অসম কেশৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মতিথি উপলক্ষে সাহিত্য, সামাজিক, সাংস্কৃতিক সস্থা 'ৰ'দ' আৰু অসম জাতীয়তা বাদী যুৱ-ছাত্ৰ পৰিষদৰ কামপুৰ আঞ্চলিকৰ উদ্যোগত আৰু কামপুৰৰ সকলো দল-সংগঠনৰ সহযোগত অনুষ্ঠিত জাতীয় চেতনা দিৱসত উপস্থিত থাকি বিশিষ্ট জাতীয়তাবাদী নেতাজনে এইদৰে মন্তব্য কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ৰাজু বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অসমৰ হিন্দু আৰু মুছলামানে অসম কেশৰী অম্বিকাগিৰি শপত লওক যে কোনেও বিদেশীক আশ্ৰয় নিদিয়ে, সুৰক্ষা নিদিয়ে তেতিয়াহে অসম বিদেশী মুক্ত হ'ব বুলিও মন্তব্য কৰে মতিউৰ ৰহমানে। উল্লেখ্য যে এই সভাতে মতিউৰ ৰহমানক ‘জাতীয় নায়ক’ৰ সন্মান প্ৰদান কৰিছিল যদিও এই বঁটা সম্পূৰ্ণৰূপে প্ৰত্যাখান কৰি তেওঁ বলিষ্ঠ ভাষণেৰে উদ্যোক্তাসকলকো সমালোচনা কৰে। ৰহমানে 'জাতীয় শ্ৰেষ্ঠ সেৱক' হিচাপে নিজৰ স্বিকৃতি বিচাৰি জাতীৰ স্বাৰ্থত কাম কৰি যাব বুলি মন্তব্য কৰে। যুৱ লেখক প্ৰমোদ বৰাই আঁত ধৰা সভাখনত জোনটি লস্কৰৰ 'সাঁথৰৰ সফুৰা' নামৰ গ্ৰন্থখন উন্মোচন কৰে কামপুৰৰ জ্যেষ্ঠ সাংবাদিক তথা কামপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সভাৰাম মজুমদাৰে। মজুমদাৰে অসম কেশৰীগৰাকীৰ জন্মদিনত এখন গ্ৰন্থ উন্মোচন কৰিবলৈ পোৱাটো তেওঁৰ জীৱনৰ ডাঙৰ সাৰ্থকতা বুলি উল্লেখ কৰে। এই সভাতে সদৌ অসম খিলঞ্জীয়া নাথ পৰিষদৰ উজ্জ্বল নাথ, জাতীয়তা যুৱ পৰিষদৰ মুখ্য সংগঠক মোবিন আহমেদ, সমাজকৰ্মী পংকজ হাজৰীকা, শিশু সাহিত্যিক দুলাল বৰা, সমাজ সেৱক বিৰিঞ্চি বৰা, কচুৱা তিনি আলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছয়দুৰ ৰহমান, সমাজসেৱক অমৰ জ্যোতি কলিতা, অসম সন্মিলিত মহাসংঘৰ ৰাজ্যিক সংগঠক বিকাশ লস্কৰ, সমাজ সেৱক সঞ্জিৱ লস্কৰ, প্ৰমোদ লস্কৰ আদি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। ইয়াৰ পূৰ্বে পুৱা শ্বহীদ তৰ্পণ, বন্তি প্ৰজ্বলন, বিষ্ণু ৰাভাৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন, স্বাধীনতা সংগ্ৰামীৰ স্মৃতি বেদীত বন্তি প্ৰজ্বলন, অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়।

# পোনাকণ বৰুৱাৰ উপস্থিতিত ৩৫ পৰিয়ালক পাইপ লাইনেৰে গেছ সংযোগ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৮ ডিচেম্বৰঃ** অসম গেছ কোম্পানী লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত এক বুজাবুজিৰ চুক্তিৰ আধাৰত কেবাখনো জিলাত পাইপ লাইনেৰে ঘৰে ঘৰে গেছ যোগানৰ যি আঁচনি গ্ৰহণ কৰা হৈছিল সেই আঁচনি ফলপ্ৰসূ হ'ব ধৰিছে। ২০২৩ চনত ২৯ এপ্ৰিলত অসম গেছ কোম্পানী লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেডে কৰা চুক্তিৰ ফচল স্বৰূপে মানুহৰ ঘৰত ৰঙা ৰঙৰ চিলিণ্ডাৰৰ পৰিৱৰ্তে পাইপ লাইনেৰে গেছৰ যোগান ধৰিবলৈ ব্যৱস্থা কৰা হৈছে। এই গেছ বিতৰণৰ পদক্ষেপৰ দ্বাৰা অসম গেছ কোম্পানী লিমিটেডে অসমৰ নাগৰিকক কম খৰচী, অত্যাধিক সুৰক্ষিত অৱস্থাত গেছ যোগান ধৰিবলৈ আৰম্ভ কৰিছে। আজি চাবুৱা সমষ্টিৰ জেৰাই গাঁৱৰ ৩৫টা পৰিয়ালক পাইপ লাইনেৰে গেছ যোগান ধৰা হয়। বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত ঘৰে ঘৰে ৰন্ধন গেছ যোগান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, মহা প্ৰৱন্ধক ৰিপুঞ্জয় ফুকন, অৱসৰপ্ৰাপ্ত বিষয়া দীপক বৰুৱা, যুৱ আয়োগৰ সদস্য প্ৰমোদ ডেংৰা, সমাজকৰ্মী বিমল বৰুৱাৰ উপস্থিতিত ৩৫টা পৰিয়ালক পাইপ লাইনেৰে গেছ যোগানৰ শুভাৰম্ভ কৰে বিধায়ক পোনাকণ বৰুৱাই। অসমৰ গেছ কোম্পানীয়ে চাবুৱা সমষ্টিৰ জেৰাই গাঁৱৰ ৩৫টা পৰিয়ালক গেছ যোগান ধৰিবলৈ আৰম্ভ কৰাত পৰিয়ালকেইটাই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি এই ব্যৱস্থাৰ দ্বাৰা বহু কষ্ট লাঘৱ হ'ব বুলি কয়। স্থানীয় বিধায়ক পোনাকণ বৰুৱাই কয় যে এই সংযোগ অধিক নিৰাপদ আৰু কম খৰচী। বিধায়ক বৰুৱাই অসম গেছ কোম্পানীক অসমৰ এশ শতাংশ থলুৱাৰ দ্বাৰা পৰিচালিত ৰাজহুৱা খণ্ডৰ উদ্যোগ আখ্যা দি সঠিক পৰিচালনা আৰু সঠিক ব্যৱসায়ৰ বাবে লাভৰ মুখ দেখিছে আৰু লাভজনক উদ্যোগ হিচাপে গঢ়ি উঠা বুলি কয়। অসম গেছ কোম্পানীয়ে অসম অইলৰ পৰা গেছ ক্ৰয় কৰি অসমৰ চাহ ফেক্টৰী, সৰু সৰু ব্যৱসায়ীক প্ৰতিষ্ঠানত যোগান ধৰি ব্যৱসায় কৰাৰ কথা দোহাৰি অসম গেছ কোম্পানীয়ে চিএনজি সংযুক্ত পেট্ৰল পাম্প খুলিছে বুলি কৈ গেছ কোম্পানীটোৰ শলাগ লয়।

# গড়মূৰত সাঁচিপতীয়া পুথি চিত্ৰৰ কৰ্মশালা

**ই-সংবাদ, মাজুলী, ১৮ডিচেম্বৰঃ** ভাৰতীয় লঘু উদ্যোগ বিকাশ বেংকৰ সৌজন্যত আয়ং ট্ৰাষ্টৰ সহযোগত মাজুলীৰ গড়মূৰ সত্ৰৰ সমীপৰে 'কলাভূমি মাজুলী গুৰুগৃহ'ত সাঁচিপতীয়া পুথিচিত্ৰৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ অসমীয়া সমাজ জীৱনলৈ এক অনবদ্য অৱদান সাঁচিপতীয়া পুথিচিত্ৰই ২০২৪ বৰ্ষত এই জি আই টেগ লাভ কৰাৰ পাছতেই ইয়াৰ প্ৰচাৰ-প্ৰসাৰ আৰু ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সাঁচিপতীয়া পুথিচিত্ৰক জনপ্ৰিয় কৰাৰ মানসেৰে বিভিন্ন সময়ত মাজুলীৰ গড়মূৰস্থিত কলাভূমি মাজুলীৰ গুৰুগৃহই কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। সেই উদ্দেশ্যে অহা ২৫ ডিচেম্বৰৰ পৰা ভাৰতীয় লঘু উদ্যোগ বিকাশ বেংকৰ সৌজন্যত গুৰুগৃহত ১৫ দিনীয়া এক কৰ্মশালা আয়োজন কৰা হৈছে। মুঠ ৩০ জন সদস্যই অংশ গ্ৰহণ কৰিব লগা উক্ত প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে থাকিব মৃদুল বৰুৱা, সহযোগী জুলি ভৰালী, হেমন্ত ভৰালী আৰু জুমি পাম। ইচ্ছুক যুৱক-যুৱতীয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব বিচাৰিলে কলাভূমি মাজুলী গুৰুগৃহৰ সৈতে যোগাযোগ কৰিব পাৰিব।

# অম্বিকাগিৰি ৰায়চৌধুৰীক ডুমডুমাত সাহিত্য সভাৰ স্মৰণ



**ই-সংবাদ, ডুমডুমা, ১৮ ডিচেম্বৰঃ** অসম সাহিত্য সভাৰ আহ্বান মৰ্মে ডুমডুমা শতদল শাখা সাহিত্য সভাই আজি সন্ধিয়া ডুমডুমাৰ আজাদ ৰোডস্থিত শাখাৰ ভৱনত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, স্বাধীনতা সংগ্ৰামী, কবি-গীতিকাৰ, লেখক-সাংবাদিক, অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীৰ জয়ন্তীত জাতীয় চেতনা দিৱস পালন কৰে। এই উপলক্ষে অম্বিকাগিৰি ৰায় চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি বিমলা বৰুৱাই। শাখাৰ সম্পাদক তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ আমন্ত্ৰিত কাৰ্যনিৰ্বাহক সদস্য দেৱেন মনু ডেকাই আজিৰ দিনটোৰ তাৎপৰ্য দাঙি ধৰে। অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিশিষ্ট নাট্যকৰ্মী ৰাজীৱলোচন বৰা, ডুমডুমা শতদল শাখাৰ প্ৰাক্তন সম্পাদক নিত্যানন্দ দাস, সহঃ সম্পাদক মনোজ বৰুৱা, নাট্যকৰ্মী বিপনজিত গগৈ, প্ৰত্যুষ শৰ্মা, শাখাৰ সদস্যা বৰ্ণালী শ্যাম, নিতু বৰা ডেকা, মৌচুমী পাটোৱাৰী, মামণি পাটোৱাৰী, মঞ্জু মহন্ত, কণ্ঠশিল্পী মমী সোণোৱাল, বনশ্ৰী বাইলুঙকে ধৰি ভালেসংখ্যক লোকে।

## ট্ৰেক্টৰ চালকে ভাবুকি দিলে বনকৰ্মীক, ব্যৱস্থাৰ দাবী জনতাৰ

# কোকিলাত বনবিভাগে জব্দ কৰিলে চালানবিহীন দুখন ট্ৰেক্টৰ

**ই-সংবাদ, কোকিলা, ১৮ ডিচেম্বৰঃ** চৰকাৰক ৰাজহ ফাঁকি দি অবাধে শিল-বালি কৰিওৱা ট্ৰেক্টৰ বন বিভাগে কৰায়ত্ত কৰাৰ পিছত চালকে বনকৰ্মীক ভাবুকি দিয়া কাৰ্যই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বঙাইগাঁও জিলাৰ কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত কোকিলা বজাৰত অভয়াপুৰী বন বিভাগে আজি পুৱা প্ৰেট্ৰ'লিং কৰি থকাৰ সময়ত চালানবিহীন দুখন ট্ৰেক্টৰ জব্দ কৰাৰ সময়ত ৰাজহুৱাকৈ চালকে বনকৰ্মীক ভাবুকি দিয়ে। অভয়াপুৰী বন বিভাগৰ দলে প্ৰেট্ৰলিং কৰি থকাৰ সময়ত দুখন ট্ৰেক্টৰসহ চালক আলী হুছেইন আৰু আবুল আলীক কৰায়ত্ত কৰে। ট্ৰেক্টৰ দুখনৰ নম্বৰ ক্ৰমে AS-15 A-7004 আৰু AS-26 C-8745 বুলি জানিব পৰা গৈছে। ট্ৰেক্টৰ দুখন কৰায়ত্ত কৰাৰ পিছত চালকে বনকৰ্মীক ভাবুকি দিয়াৰ সময়ত কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ কনিষ্টবল আৰু সাংবাদিকৰ দল উপস্থিত হোৱাত চালক আবুল আলী নামৰ বালি মাফিয়া তথা ট্ৰেক্টৰ চালকৰ মুখ বন্ধ হৈ পৰে। বালি মাফিয়াজনে বৰপেটা জিলাৰ সকলো মেনেজ বুলি ফিতাহি মাৰি বন বিভাগৰ বিৰুদ্ধে বিস্ফোৰণ মন্তব্য কৰে। বালি মাফিয়া এজনে বনকৰ্মীক ভাবুকি দিয়াৰ সাহস ক'ৰ পৰা পালে বুলি সচেতন মহলে প্ৰশ্ন উত্থাপন কৰিছে। বৰপেটা জিলাৰ বেঁকী নদীৰ পৰা চৰকাৰক ৰাজহ ফাঁকি দি দিনে ৰাতিয়ে অবৈধভাৱে শিল-বালি বিক্ৰী কৰি আহিছে। অবৈধভাৱে শিল-বালি কৰিওৱা ট্ৰেক্টৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ দাবী জনাইছে সচেতন মহলে।

# বৰপথাৰত ডাম্পাৰৰ দৌৰাত্ম্য, খুন্দিয়াই ভাঙিল বিদ্যুতৰ খুঁটা, আন্ধাৰত ৰাইজ

**ই-সংবাদ, সৰুপথাৰ, ১৮ ডিচেম্বৰঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰৰ বৰপাভজান গাঁৱত কালি এখন ডাম্পাৰে খুন্দিয়াই এটা বিদ্যুৎ পৰিবাহী তাঁৰৰ খুঁটা ভাঙি পেলোৱাত এক বৃহত্তৰ অঞ্চলত প্ৰায় চৌবিশ ঘণ্টা ধৰি বিদ্যুৎ সৰবৰাহ ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। স্থানীয় লোকে কৰা অভিযোগ মতে, কালি সন্ধিয়া প্ৰায় সাত বজাত এ এছ-২৫ এফ চি-৪৫১৬ নম্বৰৰ এ এন পি এলৰ এখন তীব্ৰ বেগী ডাম্পাৰে উক্ত গাঁওখনত পথৰ কাষৰ বিদ্যুতৰ খুঁটাত খুন্দিয়াই পথাৰলৈ সোমাই যায়। ঘটনাটোত বিদ্যুতৰ খুঁটাটো ভাগি যোৱাত বৰপাভজান গাঁৱঁকে ধৰি চুবুৰীয়া মৰাণগাঁও, সৰুলাংঠা আদি অঞ্চল অন্ধকাৰত ডুব গৈ আছে। এই বাতৰি লিখাৰ পৰলৈকে উক্ত অঞ্চলটোৰ বিদ্যুতৰ যোগান নিয়মীয়া নোহোৱাত গ্ৰাহক ৰাইজে গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে দুৰ্ঘটনাটো সংঘটিত কৰিয়েই বাহনখনৰ চালকজন আঁতৰি যায়।

# চামগুৰিত চোৰৰ উপদ্ৰৱত অতিষ্ঠ ৰাইজ

**ই-সংবাদ, পুৰণিগুদাম, ১৮ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত দিনক দিনে চোৰৰ উপদ্ৰৱ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। নিশাৰ লগতে দিন দুপৰতে গৃহস্থৰ গৃহত চোৰৰ দল প্ৰৱেশ কৰি বিভিন্ন মূল্যৱান সা-সামগ্ৰীৰ লগতে পশুধন চুৰি কৰি ৰাইজক অতিষ্ঠ কৰি তুলিছে। আনহাতে, কিছুদিন ধৰি চোৰৰ দলে ফুকনটোল, বৰালীগাঁও, চামগুৰি আউনীআটি, গেন্ধালী, ভেলেউগুৰি, পহুকটা, তেলিয়াগাঁও, ব্ৰহ্মচাৰী সত্ৰকে আদি কৰি বিভিন্ন অঞ্চলসমূহত কেইবাজনো লোকৰ বাসগৃহত গৃহত চোৰৰ দল প্ৰৱেশ কৰি কাঁহৰ বাচন বৰ্তন, চাইকেল, পানী মটৰ আদিকে ধৰি বিভিন্ন সামগ্ৰী চোৰে চুৰি কৰি উপদ্ৰৱ চলাই আহিছে। আনহাতে, বিভিন্ন স্থানৰ পথাৰৰ লগতে গোহালী আৰু গঁড়ালৰ পৰাই চোৰে গৰুৰ লগতে ছাগলী, হাঁহ-কুকুৰা আদি চুৰি কৰি নিয়া পৰিলক্ষিত হৈছে। যোৱা নিশাও ভেলেউগুৰি অঞ্চলৰ গোলাপ শইকীয়া নামৰ লোকজনৰ ঘৰৰ গোহালিৰ পৰা পাঁচটা গৰু চোৰে চুৰি কৰি নিয়া ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। চামগুৰিৰ বিভিন্ন অঞ্চলত সঘনাই সংঘটিত হোৱা চুৰিকাণ্ড ৰোধৰ ক্ষেত্ৰত আৰক্ষীয়ে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় হ'ব বুলি স্থানীয় সচেতন মহলে মতপ্ৰকাশ কৰিছে।

# নগাঁৱৰ ৰৌমাৰীত সন্ধানহীন বয়োজ্যেষ্ঠা মহিলা

**ই-সংবাদ, বেবেজীয়া, ১৭ ডিচেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ আহোমগাঁও আৰক্ষী পহৰা চকীৰ এলেকাধীন ৰৌমাৰীৰ এগৰাকী বয়োজ্যেষ্ঠা মহিলা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। নিৰুদ্দিষ্ট মহিলাগৰাকী হৈছে ৰৌমাৰীৰ জানপাৰ নিবাসী হজৰত আলীৰ পত্নী তথা চাৰি সন্তানৰ মাতৃ আউসীমা খাতুন। প্ৰাপ্ত খবৰ মতে, সত্তৰ বছৰীয়া মহিলাগৰাকী যোৱা ১৬ ডিচেম্বৰৰ পুৱা প্ৰায় ৮ বজাত নিজ গৃহৰ পৰা জীয়ৰীৰ ঘৰলৈ বুলি ওলাই যোৱাৰ পিছৰে পৰাই আশ্চৰ্যজনকভাৱে সন্ধানহীন পৰে। এনদৰে হঠাতে মহিলাগৰাকী অন্তৰ্ধান হৈ পৰাত পৰিয়ালৰ লোকসকলৰ মাজত হাহাকাৰ লাগে আৰু ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজনৰ লগতে সম্ভাব্য সকলো ঠাইতে বিচাৰ-খোচাৰ কৰিছে যদিও বৰ্তমানলৈকে মহিলাগৰাকীৰ কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই। ফলত মহিলাগৰাকীৰ দুৰ্ভগীয়া পৰিয়ালবৰ্গ দুঃশ্চিন্তাত মানসিকভাৱে ভাগি পৰিছে। উপায়হীন হৈ ইতিমধ্যে মহিলাগৰাকীৰ স্বামীয়ে স্থানীয় আহোমগাঁও আৰক্ষী পহৰা চকীত এই সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে। কোনো সদাশয় ব্যক্তিয়ে যদি নিখোঁজ হোৱাৰ সময়ত বোৰ্খা পৰিধান কৰি থকা মহিলাগৰাকীৰ কিবা সম্ভেদ পায় তেন্তে ওচৰৰ আৰক্ষী থানা নাইবা 60036-50345 আৰু 73996-79036 নম্বৰত যোগাযোগ কৰিবলৈ দুৰ্ভগীয়া পৰিয়ালবৰ্গই অনুৰোধ জনাইছে।

# শান্তিৰ বাণী লৈ চাইকেল চলাই উত্তৰ প্ৰদেশৰ পৰা আহি হাজোত দুই যুৱক

**ই-সংবাদ, হাজো, ১৮ ডিচেম্বৰ :** মানুহে নিজৰ মনটোক শান্তি দিবলৈ কি নকৰে? এইবাৰ নিজৰ মনটোক শান্তি দিবৰ বাবেই ওলাই আহিছে এইখন দেশৰে দুই যুৱক। চাইকেলেৰে বিশ্ব জয় কৰাৰ মন এই দুই যুৱকৰ। যুৱকদ্বয়ৰ ঘৰ উত্তৰ প্ৰদেশত। দেশত শান্তি বিলোৱাৰ উদ্দেশ্য ৰাম জন্মভূমি উত্তৰ প্ৰদেশৰ পৰা চাইকেলেৰে ওলাইছে বন্ধু দুজন। প্ৰথমে উত্তৰ প্ৰদেশ, কাশ্মীৰ, লাডাখ ভ্ৰমণ কৰি এইবাৰ আহি উপস্থিত হৈছে অসমত। অসমত উপস্থিত হৈ আজি হাজোলৈ আহে যুৱকদ্বয়। হাজোত উপস্থিত হৈ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ লগতে হাজোৰ আন আন তীৰ্থস্থান ভ্ৰমণ কৰে বন্ধু দুজনে। অভিষেক গুপ্তা আৰু চন্দন গুপ্তা নামৰ এই দুই যুৱকে শান্তি কামনাৰে চাইকেল চলাই সমগ্ৰ দেশ ভ্ৰমণ কৰিব বুলি জানিবলৈ দিয়ে। ইয়াৰ পৰৱৰ্তী সময়ত এই দুই যুৱকে চাইকেল চলাই বিশ্ব ভ্ৰমণ কৰাৰ কথাও উল্লেখ কৰে।




**চাইকেল লৈ উত্তৰ প্ৰদেশৰ পৰা হাজো পালে দুই যুৱক**

# ৰঙিয়াত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান জাতীয় চেতনা দিৱস

**ই-সংবাদ, ৰঙিয়া, ১৮ ডিচেম্বৰঃ** অম্বিকাগিৰী ৰায়চৌধুৰী দেৱে জাগ্ৰত কৰি তোলা জাতীয় চেতনা নৱপ্ৰজন্মৰ বাবে অনুকৰণীয়। আজি ৰণদিয়া সাহিত্য সভা (শতদল)ৰ উদ্যোগত তথা কামৰূপ জিলা সাহিত্য সভাৰ সহযোগত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ ১৪০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে অনুষ্ঠিত জাতীয় চেতনা দিৱস উপলক্ষে আয়োজন কৰা মুকলি সভাত সভাপতিত্ব কৰি এই আহ্বান জনাই অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ডঃসূৰ্য্য কান্ত হাজৰিকাই ।স্থানীয় হৰদত্ত বীৰদত্ত ভৱণত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি পদ্মশ্ৰী ডঃহাজৰিকাই লগতে কয় যে অম্বিকাগিৰী ৰায় চৌধুৰী দেৱে অসম বাসীক জাগ্ৰত কৰি তুলিবলৈ কৰা প্ৰয়াস প্ৰতিজন অসমীয়াৰ বাবে অনুকৰণীয় ।জাতীয় চেতনা দিৱসৰ দিনটোত অসম কেশৰীৰ আদৰ্শ নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাৰ আশা ব্যক্ত কৰে । অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃউপেন্দ্ৰজিৎ শৰ্মাই আদৰণি ভাষনৰে শুভাৰম্ভ কৰা তথা ৰণদিয়া শতদল সাহিত্য সভাৰ সম্পাদক উজ্বল ডেকাই আত ধৰা মুকলি সভাত পৰম সন্মানীয় অতিথিৰূপে বিশিষ্ট সাহিত্যিক গৌৰীকান্ত ভূঞাক জাতীয় চেতনা সন্মান -২০২৪ৰে সন্মানিত কৰা হয়। বটা প্ৰাপক ভূঞাই মনৰ অনুভৱ ব্যক্ত কৰি অসম সাহিত্য সভাই প্ৰদান কৰা বটাৰ বাবে কৃতজ্ঞ হৈ ৰব বুলি উল্লেখ কৰে ।জীৱনত শিক্ষকতা বৃত্তিত নিয়োজিত হোৱাৰ পিছত ছাত্ৰ ছাত্ৰীক অসমীয়া ভাষা শুদ্ধ ৰূপত শিকোৱাটো প্ৰধান দায়িত্ব ।৮০ৰ দশকৰ পৰা কুহিপাঠ ৰচনাৰ মূলতে কবি নৱকান্ত বৰুৱাৰ সান্নিধ্যৰ কথাও ব্যক্ত কৰে । সভাত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ডঃনৃপেন্দ্ৰ নাথ তালুকদাৰ ,সম্পাদক ৰজনী শালৈৰ উপস্থিতিত মুখ্য অতিথিৰূপে বিশিষ্ট সাহিত্যিক ডঃ শুকদেৱ অধিকাৰীয়ে অংশগ্ৰহণ কৰে । ভাষণ প্ৰসঙ্গত অধিকাৰীয়ে ভাষণ প্ৰসঙ্গত অসম কেশৰীৰ আদৰ্শ অনুকৰণ কৰি নৱপ্ৰজন্মক দেশাত্মবোধৰ প্ৰতি সচেতন হবলৈ আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰূপে অধ্যাপক ডঃদিলীপ ৰাজবংশী উপস্থিত থাকি কয় যে ইংৰাজী সম্প্ৰসাৰণ বিশ্বজুৰি হৈ অহাৰ সময়তে অসমীয়া ভাষাৰ প্ৰতিষ্ঠা লাভৰ সংগ্ৰাম ১৮২৬ চনৰে পৰা কৰি আহিব লগা হৈছে। বিদ্যালয় ,মহাবিদ্যালয় পৰ্যায়ৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক ভাষা শিক্ষাৰ প্ৰতি আগ্ৰহী নকৰিলে অসমীয়া ভাষাৰ বিপৰ্য্যয় নিশ্চিত বুলিও অভিহিত কৰে ৰাজবংশীয়ে। ইফালে একেখন মঞ্চতে প্ৰকাশিত স্মাৰকগ্ৰন্থ গ্ৰন্থ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃউপেন্দ্ৰজিৎ শৰ্মাই ,আনহাতে 'ৰণদিয়া'ৰ উন্মোচন কৰে সংস্কৃতিৰ দাপোন কাকতৰ মুখ্য সম্পাদক দিনমনি ভাণ্ডাৰ কায়স্থই । কাল প্ৰীতৰ উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ডঃ সূৰ্য্য কান্ত হাজৰিকাই । একেখন মঞ্চতে এজন চিকিৎসকৰ মনৰ খিড়িকী কে ধৰি আন দুখনকৈ গ্ৰন্থৰো আনুষ্ঠানিক ভাবে উন্মোচন কৰা হয়। সভাত অসম বাৰ্তাজীৱি সংঘৰ সভাপতি মধুসুদন মেধী ,জনপ্ৰিয় কণ্ঠশিল্পী ৰূপম ভূঞা প্ৰমুখ্যে আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে । ইফালে দিন যোৰাকৈ অনুষ্ঠিত কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰণদিয়া শতদল সাহিত্য সভাৰ সভাপতি জয়ন্তজিত কলিতাই ।ইয়াৰ পিছতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা আৰু আৰিমত্ত বিদ্যাপীঠ হাইস্কুলৰ অধ্যক্ষ নয়নজ্যোতি দাসে । অম্বিকাগিৰী ৰায় চৌধুৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ মাতৃভাষা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতাই । মাল্যাৰ্পণ কৰে অধ্যাপক ডঃনিলোৎপল শৰ্মাই । দিনৰ ভাগত দেশপ্ৰেমমূলক সাহিত্য পাঠৰ অনুষ্ঠানৰ উদ্বোধন কৰে বিদ্যালয় উপ পৰিদৰ্শক ময়নুল হক চৌধুৰীয়ে। অনুষ্ঠানটোক লৈ সন্তুষ্টি ব্যক্ত কৰিছে স্থানীয় ৰাইজে।

# চৰাইদেউ আৰক্ষীৰ সাফল্য, গ্ৰেপ্তাৰ দুই হত্যাকাৰী

**ই-সংবাদ, সোণাৰি, ১৮ ডিচেম্বৰঃ** চৰাইদেউ আৰক্ষীৰ বৃহৎ সাফল্য। কাকতবাৰী আৰক্ষী থানাৰ অন্তৰ্গত দুৰিবামত সংঘটিত হত্যাকাণ্ডৰ দুই মূল নায়কক গ্ৰেপ্তাৰ কৰিলে চৰাইদেউ আৰক্ষীয়ে। চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত সংঘটিত ঘটনাৰ অনুসন্ধান চলাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পুতলী খুদাল আৰু গৌৰৱজ্যোতি গগৈ নামৰ দুই ব্যক্তিক। চৰাইদেউ আৰক্ষীয়ে জনোৱা অনুসৰি ১৭ ফেব্ৰুৱাৰীত পুতলী খুদাল নামৰ মহিলা গৰাকীয়ে তেওঁৰ স্বামী কমল খুদালৰ মৃতদেহ চাহ বাগিচাত উদ্ধাৰ সন্দৰ্ভত এক অভিযোগ দাখিল কৰিছিল কাকতিবাৰী আৰক্ষী থানাত। উক্ত ঘটনাৰ অধিক অনুসন্ধান চলাই আৰক্ষীয়ে লাভ কৰে বিস্ফোৰক তথ্য। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি পুতলী খুদাল নামৰ মহিলা গৰাকীয়ে শদিয়াৰ গৌৰৱ জ্যোতি গগৈৰ সৈতে থকা প্ৰেমৰ সম্পৰ্কৰ বাবেই নিজ স্বামীক দুয়ো লগ হৈ এদাল বাঁহৰ টুকুৰাৰে মৰিয়াই হত্যা কৰে আৰু চাহ বাগিচাৰ নলাত পেলায় থয় মৃতদেহ। এই ঘটনাকেই অন্য ৰূপ দি ১৭ ফেব্ৰুৱাৰীত মহিলা গৰাকীয়ে এজাহাৰ দাখিল কৰে। ফলত আৰক্ষীয়ে অনুসন্ধান চলাই মহিলা গৰাকীৰ ওপৰত সন্দেহ ওপৰত অধিক জেৰা কৰাত আৰক্ষীৰ সন্মুখত সকলো কথা স্বীকাৰ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত মহিলা গৰাকীৰ বিৰুদ্ধে কাকতিবাৰী আৰক্ষী থানাত ০৪/২৪ নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত গোচৰ ৰুজু কৰি ১৩ ডিচেম্বৰত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আনহাতে এই ঘটনাৰ সৈতে নাম সাঙুৰ খোৱা শদিয়াৰ টুপছিঙাৰ গৌৰৱজ্যোতি গগৈকো গ্ৰেপ্তাৰ কৰি অধিক জেৰা চলাই আছে চৰাইদেউ আৰক্ষীয়ে।

# সদৌ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ অষ্টম বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**ই-সংবাদ, সোণাৰি, ১৮ ডিচেম্বৰ:** ৰাজ্যত আপোচবিহীন অৰাজনৈতিক সংগঠন, অসমৰ জনসাধাৰণৰ স্বাৰ্থত জন্ম লগ্নৰে পৰা সকলো জলন্ত সমস্যাৰ ওপৰত অসমৰ প্ৰত্যেক জনগণৰ বাবে মাত মাতি অহা "সদৌ অসম জাতীয়তাবাদী যুৱ পৰিষদ" (চমুকৈ AAJYP) ৰ "অষ্টম বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস"টি অহা ইং ৯ জানুৱাৰী, ২০২৫ (১৪৩২ ভাস্কৰাব্দ) তাৰিখ, বৃহস্পতিবাৰে তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত লাচিত যুৱ সংঘৰ আতিথ্যত আৰু তিনিচুকীয়া জিলাবাসী ৰাইজৰ সহযোগত পুৱ গোবিন্দপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহত উদযাপন কৰিবলৈ লোৱা হৈছে। উক্ত প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সংগঠনটোৱে এইবাৰো তিনিটাকৈ বঁটাৰ ঘোষণা কৰিছে। এই বঁটা প্ৰাপক সকল হৈছে ক্ৰমে কণ্ঠশিল্পী মাধৱ ৰঞ্জন দেৱক "বিশিষ্ট যুৱ শিল্পী ২০২৫ বঁটা", সংবাদ সাহিত্যৰ নিউজ লাইভৰ সাংবাদিক ৰঞ্জিত দত্ত দেৱলৈ "নিৰ্ভিক সাংবাদিকতা বঁটা-২০২৫" আৰু যুৱ ইউটিউবাৰ সময় গগৈলৈ "নিৰপেক্ষ সমাজ হিতৈষী-২০২৫ বঁটা" প্ৰদান কৰা হব বুলি সংগঠনটোৱে এই প্ৰেছ বিবৃতিৰ যোগে জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱা ৯-০০ বজাত পতাকা উত্তোলন কৰিব সংগঠনৰ কেন্দ্ৰীয় সভাপতি ৰমেন চৌধুৰীয়ে, ৯-৩০ বজাত শ্বহীদ তৰ্পণ কৰিব সংগঠনৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সন্দীপ প্ৰসাদ নেওঁগে, পুৱা ১০-০০ বজাত গছপুলি ৰোপণ কৰিব ক্ৰমে পৰিৱেশ সুৰক্ষা সমিতিৰ সভাপতি ঋতুৰাজ বৰুৱা, চিকিৎসক ডাঃ ধীৰাজ কমল আৰু লাচিত যুৱ সংঘৰ সভাপতি উত্তম গোঁহায়ে। পুৱা ১১-৩০ বজাত চিত্ৰাঙ্কণ প্ৰতিযোগিতা উদ্বোধন কৰিব পুৱ গোবিন্দপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভায়লিনা সোনোৱাল আৰু প্ৰাক্তন শিক্ষয়িত্ৰী বিজয়া গোহাঁয়ে। দুপৰিয়া ১২-০০ বজাত বৰ্তমান সাম্প্ৰতীক পৰিস্থিতিৰ ওপৰত আলোচনা, ভবিষ্যতৰ কাৰ্যক্ৰমৰ প্ৰস্তাৱ গ্ৰহণ আৰু বিশেষ সম্বৰ্ধনা ও বঁটা প্ৰদান অনুষ্ঠানটি সঞ্চালনা কৰিব পৰিষদৰ সভাপতি ৰমেন চৌধুৰীয়ে। মুকলি সভাখনিত সংগঠনটোৰ মূখ্য উপদেষ্টা প্ৰদীপ কুমাৰ বৰ্মন, উপদেষ্টা ক্ৰমে ভবেন্দ্ৰ নাথ আৰু মৃদুল কুমাৰ চাহুৰ লগতে কেইবাগৰাকী প্ৰতিনিধি উপস্থিত থকাৰ উপৰিও পানীতোলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ সমৰ জ্যোতি গোঁহাই, সদৌ মটক যুৱ ছাত্ৰ পৰিষদৰ উজ্জল বৰুৱা, সদৌ মটক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় হাজৰিকা, টাইপাৰ প্ৰভাত চাংমাই, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ প্ৰমানন্দ ফুকন, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, সমন্বয় সমাজ কল্যাণ যুৱ সংঘৰ সভাপতি প্ৰাঞ্জল নেওঁগৰ লগতে কেইবাগৰাকীও শিক্ষাবিদ, গণ্য-মান্য ব্যক্তি তথা জাতীয়-জনগোষ্ঠীয় বহুকেইগৰাকী সংগঠনৰ বিষয়ববীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। উক্ত সমূহ কাৰ্যসূচীত সকলোৰে উপস্থিতি ঐকান্তিকতাৰে কামনা কৰাৰ লগতে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে উদ্যোগক্তাই প্ৰেছ বিবৃতিৰ জৰিয়তে অনুৰোধ জনাইছে।

# বৰ্ষীয়ান সাংবাদিক-সাহিত্যিক, চিন্তাবিদ কনকসেন ডেকাক উষ্ম সম্বৰ্দ্ধনা, পৰাগজ্যোতি প্ৰকাশনৰ উদ্যোগ

**ই-সংবাদ, গুৱাহাটী, ১৮ ডিচেম্বৰ:** আজি ৰাজ্যৰ বৰ্ষীয়ান সাংবাদিক - সাহিত্যিক, চিন্তাবিদ, "দৈনিক অগ্ৰদূত" ৰ মুখ্য সম্পাদক, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি কনকসেন ডেকাক ৰাজ্যখনৰ অগ্ৰণী প্ৰকাশন অনুষ্ঠান "পৰাগজ্যোতি প্ৰকাশন"ৰ উদ্যোগত উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে মহানগৰীৰ গণেশগুৰিৰ গনেশ মন্দিৰৰ সমীপত থকা অগ্ৰদূত ভৱনত আয়োজিত এক গাম্ভীৰ্য অনুষ্ঠান অনুষ্ঠিত হয়। সভাত ভাষণ দি অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক "সাহিত্য কোঁৱৰ" কমল কলিতাই কয়- "বৰেণ্য কথাশিল্পী- সাংবাদিক কনকসেন ডেকাৰ চিন্তা - চেতনা সৰ্বত্ৰে অগ্ৰদূত। অসমতে নহয় ভাৰতবৰ্ষৰ বাবে তেওঁ নমস্য । পোহৰ সন্ধানি লোকক ডেকাচাৰে সদায় ভাল পাইছিল ।" পৰাগজ্যোতি প্ৰকাশনৰ সচিব,সাংবাদিক, কবি দীপক শৰ্মাই আত ধৰা অনুষ্ঠানত ভাষণ দি অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈনে কয়- "অসমীয়া ভাষা-সাহিত্যত অভুতপূৰ্ব অৱদান আগবঢ়াই আহিছে কনকসেন ডেকাচাৰে। ডেকাচাৰে সৎ আৰু নিষ্ঠাৰে নিজৰ দেশৰ বাবে যুগে যুগে চিৰস্মৰণীয় হৈ থাকিব। নতুন প্ৰজন্মৰ বাবে দিগদৰ্শক হৈ থাকিব ডেকাচাৰে ।" কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা ৰাজ্যিক কৃতি শিক্ষক বঁটা বিজয়ী ৰজত চন্দ্ৰ ভৰালীয়ে কয়- "সমাজ দায়বদ্ধ সাংবাদিক, চিন্তাশীল লেখক কনকসেন ডেকা। তেওঁৰ চিন্তা-চৰ্চা, পিন্ধন-উৰণ, খোজ সকলোতে দিগগজ।" সভাত আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ ডিজেন কাকতি আৰু ডোৱা - কহৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী, লেখিকা দুৰ্গামণি বৰগোহাঁইয়ে নিজস্ব ভাষণত সাংবাদিক - সাহিত্যিক কনকসেন ডেকাৰ বহুমুখী প্ৰতিভাৰ কথা আলোকপাত কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি বৰ্ষীয়ান সাংবাদিক কনকসেন ডেকাই কয়- "পৰাগজ্যোতি প্ৰকাশনৰ এই সম্বৰ্দ্ধনাই মোক অধিক প্ৰাণৱন্ত কৰি তুলিলে।" শ্ৰীডেকাই আৰু কয়- ব্যৰ্থতাক ধৰি নাৰাখি আগুৱাই যাব লাগে। আজিকালি সৎ মানুহৰ স্থান কম। বৰ্তমান ৰাজনীতিত পবিত্ৰতা কমিছে। সাহিত্য -কলা-সংস্কৃতি তৰল হৈছে। সমাজখন নিকা কৰিবলৈ সকলো ভাল মানুহে হাতে-কামে আগুৱাই আহিব লাগে।"

# গাড়ীৰ খুন্দাত খাৰুপেটীয়াত যুৱ ব্যৱসায়ীৰ মৃত্যু

**ই-সংবাদ, খাৰুপেটীয়া, ১৮ ডিচেম্বৰঃ** মঙলবাৰে নিশা খাৰুপেটীয়াত সংঘটিত এক পথ দুৰ্ঘটনাত নিহত হয় এজন যুৱ ব্যৱসায়ী । জানিব পৰা মতে নিশা প্ৰায় ১১ মান বজাত খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত অচিনাক্ত গাড়ীৰ খুন্দাত নিহত হয় খাৰুপেটীয়া লাভলী হোটেলৰ সন্মুখত পান দোকান কৰি পৰিয়াল চলোৱা মানিক প্ৰসাদ সাহা নামৰ যুৱ ব্যৱসায়ী জনৰ। নিশা দোকান বন্ধ কৰি ঘৰলৈ উভতাৰ সময়ত দুৰ্ঘটনাত পতিত যুৱক জনক ততাতৈয়াকৈ খাৰুপেটীয়া অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও অৱস্থা অধিক সংকটজনক হৈ পৰাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ যোৱা অৱস্থাত আধা বাটতে মৃত্যু হয় যুৱকজনৰ। মাণিক সাহাৰ ঘৰ খাৰুপেটীয়াৰ টিলাপট্টীত বুলি জানিব পৰা গৈছে। দোকানীজনৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মাজুলীৰ ডিপোত গ্ৰাহকৰ বাহনত তেলৰ সলনি সোমাল পানী, বিকল বহু বাইক

**ই-সংবাদ, মাজুলী, ১৮ ডিচেম্বৰঃ** মাজুলীৰ গড়মূৰৰ এটা তেল ডিপোত গ্ৰাহকৰ বাইকত তেলৰ সলনি পানী সোমোৱাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে লেজা ফুৱেল ছাৰ্ভিচত তেল ভৰোৱা বহু সংখ্যক বাইক তেল ভৰাই কিছু দূৰ যোৱাৰ পিছতেই বিকল হৈ পৰাৰ পৰিপ্ৰেক্ষিতত পিছত উক্ত বাইকসমূহ পৰীক্ষা কৰাত তেলৰ সলনি মটৰ চাইকেল সমূহৰ টেংকীৰ পৰা পানী ওলোৱা বুলি অভিযোগ উঠিছে। উক্ত ডিপোত তেল ভৰাই গন্তব্য স্থানলৈ যোৱাৰ বাটতে বাইক সমূহ বিকল হৈ পৰাৰ পৰিপ্ৰেক্ষিতত উক্ত কাণ্ড পোহৰলৈ অহাত বাইক সমূহৰ আৰোহী সকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। ইফালে উক্ত ঘটনাৰ সংক্ৰান্তত ডিপোটোৰ অন্যতম স্বত্বাধিকাৰী দেৱজিৎ দত্তৰ পৰা সবিশেষ জানিবলৈ বিচৰাত দত্তই উক্ত ঘটনা স্বীকাৰ কৰে। তেওঁ টেংকাৰতেই তেল হৰণলুকী কৰি তেলৰ লগত প্ৰায় দুশ-তিনিশ লিটাৰ পানী মিহলি কৰি অনাৰ বাবেই এনে ঘটনা ঘটা বুলি উল্লেখ কৰাৰ লগতে প্ৰায় ৬ খনমান বাইকত উক্ত তেল ভৰোৱাৰ পিছতহে বিষয়টো ডিপো কৰ্তৃপক্ষই ধৰা পেলাই বুলি জনায়। তেওঁ পিছত উক্ত পানী মিহলি তেল সমূহ ঘুৰাই আন তেল অনা বুলি কোৱাৰ লগতে পানী তেল ভৰাই বিকল হোৱা বাইক সমূহ ডিপোৰ তৰফৰ পৰা মেৰামতি কৰি দিয়া হয় বুলি উল্লেখ কৰে। এই হলেও বিষয়টোৱে আজি মাজুলীত বিশেষ চৰ্চা লাভ কৰাৰ লগতে উক্ত ঘটনাক লৈ আজি ডিপোটোৰ কৰ্তৃপক্ষ ব্যাপক সমালোচনাৰ সন্মুখীন হৈছে।

# চেঙাৰ চৰাঞ্চলত ৰাইজৰ দলৰ সাংগঠনিক তৎপৰতা

**ই-সংবাদ, শিমলীতোলা,১৮ ডিচেম্বৰঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰাগ মূহুৰ্তত প্ৰতিটো ৰাজনৈতিক দলে কঁকালত টাঙলী বান্দিছে পিছ পৰি থকা নাই ৰাইজৰ দল। চেঙাৰ দক্ষিণ অংশৰ কেইবাটা পঞ্চায়তত ৰাইজৰ দলৰ সাংগঠনিক ভিত্তি শক্তিশালী কৰাৰ উদ্দশ্যেৰে বিভিন্ন পঞ্চায়তত ৰইজৰ লগত মত বিনিময় কৰি পঞ্চয়তে পঞ্চায়তে আঞ্চলিক কমিটি গঠনৰ কাম ইতিমধ্যেই আৰম্ভ কৰিছে ৰাইজৰ দলে ভাতনাপাইতিত ৰাজহুৱা সভাৰ জৰিয়তে ৰাইজৰ লগত মত বিনিময় কৰি ৰাইজৰ দলৰ আঞ্চলিক সমিতি গঠন কৰি দিয়া হয়। সুখুৰাৰঝাৰত আলোচনা মৰ্মে আহ্বায়ক সমিতি গঠন কৰাৰ পিছত আজি চেঙাৰ ধৰ্মপুৰ বজাৰত ৰাইজৰ দলৰ আঞ্চলিক সমিতি গঠন কৰাৰ উদ্দেশ্যে এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত বিভিন্ন আলোচনাৰ অন্তত এখনি আহ্বায়ক কমিটি কৰি দিয়া হয়। প্ৰতিটো পঞ্চায়তে বিভিন্ন দলৰ পৰা ভালে সংখ্যক ৰাইজ ৰাইজৰ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ৰাইজৰ দলত যোগদান কৰে। ধৰ্মপুৰত প্ৰায় ৫০ ৰো অধিক মানুহে বিভিন্ন দলৰ পৰা আহি ৰাইজৰ দলত যোগদান কৰে। যোগদান কৰাৰ পিছত ৰিইজৰ দল জিন্দাবাদ, অখিল গগৈ জিন্দাবাদ ইত্যাদি বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সভাত উপস্থিত থাকে কৃষক মুক্তি দলৰ উপ-সভাপতি নাজিমুল হক, বৰপেটা জিলা কৃষক মুক্তি সংগ্ৰাম সমিতৰ প্ৰচাৰ সম্পাদক ইলিয়াছ আহমেদ ।লগতে উপস্থিত থাকে নেতা ইনামুল হক।

# খোৱাং সমষ্টিত অৰুণোদয় আঁচনিক লৈ ৰাজনীতি

**ই-সংবাদ, মৰাণ, ১৮ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাৰ খোৱাং সমষ্টিৰ অৰুণোদয় আঁচনিক লৈ আৰম্ভ হৈ গৈছে ৰাজনীতি । অৰুণোদয় আঁচনিৰ বাবে হিতাধিকাৰী সকলক চৰকাৰে আবেদন কৰিবলৈ আহ্বান জনোৱাৰ সময়তে খোৱাং সমষ্টিৰ অন্তৰ্গত খোৱাং কাৰৈমাৰীৰ কৈৱৰ্ত গাঁৱত বিজেপিৰ এজন বুথ সভাপতিয়ে ৰাজনীতি কৰাত লাগিছে । এটা অডিঅ' ক'ল ৰেকৰ্ডিঙে উদঙাইছে এই কুটিল ৰাজনীতিৰ প্ৰকৃত সত্যতা । হিতাধিকাৰীক আঁচনি প্ৰদানৰ নামত ৰাজনীতি কৰা এই অভিযোগ উঠিছে খোৱাং কাৰৈমাৰীৰ বিজেপিৰ বুথ কমিতিৰ সভাপতিৰ বিৰুদ্ধে । ক'ল ৰেকৰ্ডিঙত বিজেপিৰ বুথ কমিতিৰ সভাপতিজনে স্পষ্ট কৰি কৈছে যে যদি আঁচনি লাগে বিজেপিত জইন কৰা । প্ৰথমে বিজেপি কৰ্মীসকলকহে এই আঁচনি দিয়া হ'ব । বুথ সভাপতিজনৰ এই মন্তব্যৰ পিছতে জাঙুৰ খাই উঠিছে কাৰৈমাৰী গাঁৱৰ ৰাইজ । বানে জুৰুলা কৰা দৰিদ্ৰ পৰিয়াল কেইটাক লৈ কৰা এই ৰাজনীতি কোনো কাৰণতে মানি নোলোৱাৰ হুংকাৰ দিছে ৰাইজে ।

# আপকু মাজুলী জিলা সমিতিৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, মাজুলী, ১৮ ডিচেম্বৰঃ** আছাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন(আপকু)ৰ মাজুলী জিলা সমিতিৰ দ্বিতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখনি মাজুলীৰ গড়মূৰ ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। পুৱা ১০ বজাত মাজুলী জিলা আপকুৰ সভাপতি জ্যোতিষ কুমাৰ তামুলীৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পদুম কুমাৰ শইকীয়া আৰু ৰিতুপৰ্ণ ভৰালী পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। আপকুৰ মাজুলী জিলা সমিতিৰ সম্পাদক ভাস্কৰ বৰাই আঁত ধৰা সভাখনত পৰ্যবেক্ষক পদুম কুমাৰ শইকীয়াই আপকুৰ উদ্দেশ্য আৰু অসমৰ সংবাদ ক্ষেত্ৰখনত সাংবাদিকসকলে পাই অহা বিভিন্ন সমস্যা আৰু সাংবাদিকসকলৰ সমস্যাসমূহ সমাধানৰ বাবে কৰি অহা কৰ্ম সম্পৰ্কে অৱগত কৰে। পৰ্যবেক্ষৰ উপস্থিতিত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে আছাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন(আপকু)ৰ নতুন মাজুলী জিলা সমিতিখন গঠন কৰা হয়। ৰঞ্জন বৰাক সভাপতি আৰু তীৰ্থ ভূঞাক সাধাৰণ সম্পাদক, কাৰ্যকৰী সভাপতি ভাস্কৰ বৰা, উপ-সভাপতি প্ৰাঞ্জল খাউন্দ, সহকাৰী সাধাৰণ সম্পাদক দ্বয় ক্ৰমে যদু মণি শইকীয়া, সঞ্জিত শইকীয়া, প্ৰচাৰ সম্পাদক ৰিদিপ বৰা, বিত্ত সম্পাদক পৰাণজ্যোতি বৰা, সাংগঠনিক সম্পাদক পুলক শইকীয়া, পত্ৰিকা সম্পাদক সঞ্জিত অসম বৰাৰ লগতে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য হিচাপে জীৱন বৰুৱা আৰু জ্যোতিষ কুমাৰ তামুলীক লৈ এখন শক্তিশালী জিলা সমিতি গঠন কৰা হয়। ইয়াৰ পাছতেই মুকলি সভা অনুষ্ঠিত হয়। জ্যোতিষ কুমাৰ তামুলীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অধিৱেশনত উপস্থিত থাকি বিশিষ্ট সাহিত্যিক তথা বিশিষ্ট সাংবাদিক ৰঞ্জিত কুমাৰ ভূঞাই




সাংবাদিকসকলে সংবাদ জীৱনত পাই অহা ঘাত-প্ৰতিঘাত আৰু শোষণৰ কথা ভাষণ প্ৰসংগত অৱগত কৰাৰ লগতে সাংবাদিকসকলে সংবাদ জীৱনলৈ নিষ্ঠাৰে আগবঢ়াই অহা সেৱাৰ বিষয়ে অৱগত কৰে। সভাত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ আধ্যাপক ড০ ইন্দ্ৰনীল পেগুৱে ভাষণ ৰাখে। সভাখনত আপকুৰ কেন্দ্ৰীয় উপ-সভাপতি জীৱন বৰুৱা উপস্থিত থকাৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি আৰু সাংবাদিক উপস্থিত থাকে।

# গোলকগঞ্জত পুনৰ নাবালিকা সন্ধানহীন

**ই-সংবাদ, গোলকগঞ্জ, ১৮ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ কমলাঝাৰ গাঁৱৰ পৰা যোৰা নিশা এগৰাকী নাবালিকা ছাত্ৰী নিৰুদ্দেশ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ কামলুৰ ৰহমানৰ পোন্ধৰ বছৰীয়া কন্যা নিশা ৯ বজাত হঠাতে ঘৰৰ পৰা নিৰুদ্দেশ হয়। নিশা ওচৰ-চুবুৰীয়া সকলোৱে ঘৰত সন্ধান চলোৱাৰ লগতে আজি দিনৰ ভাগত আত্মীয়-স্বজন, লগ-সমনীয়াৰ ঘৰত সন্ধান চলায়। ক'তো কোনো সন্ধান নাপাই পিতৃয়ে গোলকগঞ্জ থানাত এই সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে।

# চাইল্ড লাইনৰ অভিযান, হোজাইৰ মোৰাঝাৰত উদ্ধাৰ ৬টি শিশু

**ই-সংবাদ, মোৰাঝাৰ, ১৮ ডিচেম্বৰঃ** হোজাই জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে হোজাইৰ শ্ৰম পৰিদৰ্শকে মোৰাঝাৰ আৰক্ষীৰ সহযোগত, আজি মোৰাঝাৰ আৰু দেৰস্থান বজাৰত অভিযান চলায়। হোজাই জিলাৰ শ্ৰম পৰিদৰ্শক আৰু চাইল্ড লাইনে মোৰাঝাৰ আৰক্ষীৰ সহযোগত মোৰাঝাৰ আৰু দেৰস্থানৰ পৰা ছগৰাকী শিশু শ্ৰমিক উদ্ধাৰ কৰা ঘটনাই সমগ্ৰ জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফালে উদ্ধাৰ কৰা শিশু শ্ৰমিকক চাইল্ড লাইনে লাইফ ফাউণ্ডেশ্যনত ৰখাৰ ব্যৱস্থা কৰিছে। শিশু শ্ৰমিক নিয়োগ কৰা এই লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ দাবী জনাইছে ৰাইজে।



উইকেট দখল কৰি বুমৰাহৰ উল্লাস



বৰ্ষাবিঘ্নিত ব্ৰীছবেন টেষ্ট অমীমাংসিতভাৱে সমাপ্ত, পইন্ট ভগাই ল'লে দুয়ো দলে, ফটো বুধবাৰৰ

# কামৰূপ জিলাত ধঁপাতজাতীয় দ্ৰব্যৰ ব্যৱহাৰ, সেৱনত কঠোৰ নিষেধাজ্ঞা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৮ ডিচেম্বৰঃ** কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা কামৰূপ জিলা স্বাস্থ্য ছ'চাইটীৰ অধ্যক্ষ দেৱ কুমাৰ মিশ্ৰই সমগ্ৰ কামৰূপ জিলাত জনস্বাস্থ্যৰ সুৰক্ষা আৰু এক পৰিষ্কাৰ তথা সুস্থ কৰ্মৰ পৰিৱেশ বজাই ৰখাৰ লক্ষ্যৰে কামৰূপ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয় চৌহদত ধঁপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰ আৰু সেৱনত নিষেধাজ্ঞা আৰোপ কৰি ১৭ ডিচেম্বৰত এক নিৰ্দেশনা জাৰি কৰিছে। তৎকালীনভাৱে বলবৎ হোৱা এই নিষেধাজ্ঞা অনুসৰি চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয়ৰ চৌহদৰ ভিতৰত আৰু বাহিৰত ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰ আৰু গ্ৰহণ কৰা যেনে- ধূমপান কৰা, ধঁপাতজাতীয় সামগ্ৰী খোৱা বা পিক পেলোৱা আদি কাৰ্যত কঠোৰভাৱে বাধা আৰোপ কৰিছে। এই নিষেধাজ্ঞা সকলো বিষয়া-কৰ্মচাৰী, বিভিন্ন কামত অহা লোক, ঠিকাদাৰ আৰু কাৰ্যালয় চৌহদত উপস্থিত থকা সকলো ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। সকলো চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয়ৰ মূল প্ৰৱেশস্থানৰ লগতে কৰিড'ৰ, সকলোৱে ব্যৱহাৰৰ বাবে থকা ঠাই আৰু প্ৰৱেশ পইন্টত 'ধঁপাত নিষিদ্ধ অঞ্চল'ৰ ফলক থাকিব লাগিব আৰু ফলকত এই নিষেধাজ্ঞা বলবৎ কৰাৰ দায়িত্বত থকা বিষয়াৰ নাম, পদবী আৰু যোগাযোগৰ নম্বৰ স্পষ্টকৈ উল্লেখ থাকিব লাগিব। চৌহদৰ ভিতৰত ধূমপান কৰা বা ধঁপাতজাতীয় দ্ৰব্য গ্ৰহণ কৰা লোকক ২০০ টকা জৰিমনা বিহা হ'ব। তদুপৰি, কাৰ্যালয় চৌহদৰ ভিতৰত পিক পেলোৱা লোকক ৫০০ টকা জৰিমনা বিহা হ'ব। এই জৰিমনা চৌহদৰ ভিতৰত পিক পেলোৱা সকলো লোকৰ ক্ষেত্ৰত প্ৰযোজ্য। এই নিষেধাজ্ঞা বলবৎ কৰাত ব্যৰ্থ হ'লে বিভাগৰ মুৰব্বী বা চৌহদৰ দায়িত্বত থকা বিষয়াগৰাকীক জবাবদিহি কৰা হ'ব আৰু তেওঁৰ পৰা জৰিমনা আদায় কৰা হ'ব। চৰকাৰী আৰু ব্যক্তিগত কাৰ্যালয় চৌহদৰ ১০০ গজ ব্যাসাৰ্ধৰ ভিতৰত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী কৰা কোনো বিক্ৰেতা বা দোকানৰ অনুমতি দিয়া নহ'ব। কোনো দোকান বা বিক্ৰেতাই এই নিৰ্দেশনা উলংঘা কৰা দেখা পালে আইন অনুসৰি তেনে দোকান তাৎক্ষণিকভাৱে বন্ধ কৰা হ'ব আৰু এই ক্ষেত্ৰত প্ৰযোজ্য আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উক্ত নিৰ্দেশটোত সকলো বিভাগৰ মুৰব্বী আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ দায়িত্বত থকা বিষয়াসকলক নিজ নিজ কাৰ্যালয়ৰ ভিতৰত এই নিৰ্দেশনা সম্পূৰ্ণৰূপে পালন কৰাৰ বাবে দায়বদ্ধ কৰা হৈছে। এই নিৰ্দেশনাৰ পালন নিশ্চিত কৰিবলৈ নিয়মীয়াকৈ কাৰ্যালয়সমূহ পৰিদৰ্শন কৰা হ'ব আৰু এই নিৰ্দেশনা পালন কৰাত ব্যৰ্থ হোৱা সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই নিৰ্দেশ পালন নকৰিলে জৰিমনা, শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি